টাই সংস্কৃতি

১ম বছৰ } চ'ত, ১৮৭৭ শক। মাৰ্চ্চ, ১৯৫৬ { ১ম সংখ্যা

আহোমৰ অভিধান শাস্ত্ৰ

লিখক—ডাঃ সূৰ্য্যকুমাৰ ভূঞা, এম্-এ, বি-এল্ (কলি),
পি-এইচ্-ডি, ডি-লিট্ (লণ্ডন), ডিৰেক্টৰ,
বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।

খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ আগছোৱাত চুকাফা ৰজাদেৱে যেতিয়া কামৰূপৰ সোমাৰখণ্ড অধিকাৰ কৰে তেওঁৰ লগত অতি কম আহোম মানুহহে আছিল। স্বৰ্গদেৱ জয়ধ্বজসিংহৰ দিনৰ পৰা চুলিক্ফা লৰাৰজা ৰত্নধ্বজসিংহ স্বৰ্গদেৱৰ দিনলৈকে বুঢ়াগোহাঁই আৰু ৰাজমন্ত্ৰীৰ বাব খোৱা বিচক্ষণ ৰাজনৈতিক পুৰুষ বাঁহগৰীয়া আতন বুঢ়াগোহাঁই ডাঙৰীয়াই লিখা বুৰঞ্জীমতে চুকাফা ৰজাই ককায়েক চুক্ৰান্ফা ৰজাৰ নৰা ৰাজ্য এৰি আহোঁতে ককায়েকে তেওঁৰ লগত মাত্ৰ ৩৬০ জন সহচৰ দিছিল। তাৰ উপৰি ১২০ জন মানুহে মনে মনে লগ লয়। বাটত আহোঁতে পাটকাই পৰ্ব্বতৰ দাঁতিকাষৰীয়া অনেক মানুহে চুকাফাৰ লগ লয়। চুকাফা ৰজাদেৱে অসমত পদাৰ্পণ কৰোঁতে তেওঁৰ লগত ১০৮০ জন

মানুহহে আছিল বুলি আন বুৰঞ্জীত পোৱা যায়। এই আক্ৰ-মণকাৰীসকলে লগত কোনো তিৰোতা মানুহ অনা নাছিল বুলি উক্ত বুঢ়াগোহাঁই ডাঙ্গৰীয়াই লিখি থৈ গৈছে। চুকাফা ৰজাদেৱে বৰাহী-মৰাণ আদিক উপযুক্ত বাব দি সিবোৰৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল, আৰু এইজনা ৰজাই আদেশ দিছিল, "যেতিয়া যি কথা হয়, যি মৰে, যাক পাওঁ, সকল কথা পণ্ডিতে লিখি ৰাখিব।"

ইংলণ্ডৰ নৰ্ম্মাণ বিজেতা প্ৰথম উইলিয়মৰ লগত অহা বুলি খেনো ইংৰাজ পৰিয়ালে যেনেকৈ গৌৰৱ কৰে সেইদৰে চুকাফা ৰজাৰ লগত অহা আহোমসকলৰ মাজতো এটি আভিজাত্য সৃষ্টি হৈছিল। কালক্ৰমে তেওঁলোকে অসমৰ আদিবাসীসকলৰ লগত বিয়াবাৰু কৰিবলৈ বাধ্য হৈছিল। বৈবাহিক বা ৰজাঘৰীয়া লেন-দেনৰ ফলস্বৰূপে ওচৰচুবুৰীয়া জাতিৰ মানুহো আহোমৰ খেলত ভুক্ত হৈ আহোম বুলি পৰিগণিত হবলৈ ধৰিলে। কিন্তু তেওঁ-লোকৰ পৰিয়ালৰ নামত মাজে মাজে পূৰ্ব্বজাতিৰ চাব ৰৈ গল,— যথা, নগাপাতৰ, চেতিয়া-পাতৰ, মৰাণ-পাতৰ, মিৰি-সন্দিকৈ ইত্যাদি। প্ৰায় প্ৰতিজনা স্বৰ্গদেৱৰ দিনতে নিয়মৰ আৰু অনিয়মৰ আহোমৰ বিচাৰ কৰি সঠিক সিদ্ধান্ত ৰজাঘৰীয়া কাকতত লিখি থোৱা হৈছিল।

পোনতে মূল আহোমৰ পাঁচঘৰ আছিল, তেওঁলোকৰ ঠাল-ঠেঙ্গুলি বঢ়াত সাতঘৰ কৰা হল, সাতঘৰক বহলাই বাৰেঘৰ, বাৰেঘৰক বহলাই চৈধ্বিচ, চৈধ্বিচঘৰক বহলাই চল্লিচঘৰ আহোমৰ ফৈদ বা বংশ হল। যিসকল আহোমৰ জাতিগুৰি লৈ কোনো সন্দেহ নাই তেওঁলোকক সাধাৰণতঃ 'নিয়মৰ আহোম' বোলা হয়; বাকীবোৰক 'অনিয়মৰ আহোম' বোলা হয়। কোন ঘৰ নিয়মৰ আহোম, কোন ঘৰ অনিয়মৰ আহোম, সেই বিষয়ে আহোমসকলৰ মাজতো আগৰে পৰা মত বিৰোধ চলি আহিছে। কোনো অনিয়মৰ আহোমে নিয়মৰ আহোম বোলাবলৈ চেষ্টা কৰিলে পুৰণি আহোম

ফৈদৰ বংশধৰসকলে আপত্তি কৰিছিল। তাহানি কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই চইজৰি জলমবটাৰ ঘৰৰ আছিল বুলি সুমলী ৰাজমন্ত্ৰী ডাঙৰীয়াই 'চকৰিফেটী' বুৰঞ্জীত লিখি বৰবৰুৱাৰ দাবিক খণ্ডণ কৰিছিল। বৰবৰুৱাই নৰা দেশৰ পৰা নিজ জ্ঞাতি-কুটুম্ব আনি আহোম বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল।

নানা জাতিৰ মানুহ সন্নিবিষ্ট হৈ আহোমৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিলে। ১৮৮১ খৃষ্টাব্দৰ চেন্‌চাচ্ মতে আহোমৰ সংখ্যা ১৭৯৩১৪; ১৮৯১ চনত ১৫৩৫২৮; ১৯০১ চনত ১৭৮০৪৯। আহোম ৰজাৰ দিনত তেওঁলোকৰ সংখ্যা ইয়াতকৈয়ো বেচি আছিল। ১৬৬৩ খৃষ্টাব্দত মীৰজুমলাৰ লগত ১২,০০০ মানুহ ভাটীলৈ গৈছিল বুলি উল্লেখ আছে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মটক ৰাজ্যৰ পৰা বহুত মানুহ চিংফৌৱে বন্দী কৰি ধৰি লৈ গৈছিল। মানে প্ৰায় ৩০,০০০ অসমীয়া মানুহ ধৰি লৈ গৈছিল। ১৮২৫ চনত নিউভিল চাহাবে চিংফৌৱে ধৰি নিয়া ২,৯০০ অসমীয়া বন্দী মোকোলাই আনিছিল। এইবোৰৰ মাজত নিশ্চয় অসংখ্য আহোম প্ৰজা আছিল।

চুকাফা ৰজাদেৱৰ ৰাজত্বৰ দিনত নিয়মৰ আহোমসকলৰ মাজত আহোম ভাষাই জন্মগত স্বাভাৱিক ভাষা আছিল। আৰু বোধ কৰো এশ কি দুশ বছৰৰ পাচলৈকে নিয়মৰ আহোমসকলৰ অধিকাংশৰে মাজত আহোম ভাষা স্বাভাৱিক মাতৃভাষাৰূপে পৰিগণিত হৈছিল। কিন্তু ৰাজ্য পৰিচালনাৰ সুবিধাৰ কাৰণে, আৰু প্ৰকৃত আহোমসকলে অসমীয়া মানুহৰ মাজত বাস কৰিব লগা হোৱাত, তেওঁলোকে আহোম ভাষাৰ উপৰিও অসমীয়া ভাষা শিকি লব লগাত পৰিছিল। লাহে লাহে আহোমৰ ফৈদত বিবিধ অনাহোম মানুহ সোমাই আহোম হোৱাত তেওঁলোকৰ লগত কথা-বাৰ্ত্তা হবৰ নিমিত্তে নিয়মৰ আহোমেও অসমীয়া ভাষা শিকিবলৈ বাধ্য

হৈছিল। লাহে-লাহে দেখা গল যে, অসমীয়া ভাষাৰ প্ৰয়োজন বেচি, সেই অনুসাৰে আহোম ভাষাৰ প্ৰয়োজন কম। গতিকে আহোম ভাষা জনাটো কিছুমান নিৰ্দ্দিষ্ট মানুহৰ মাজত সীমাবদ্ধ হবলৈ ধৰিলে,—যথা, দেওধাই, বাইলুং আৰু মোহন এই তিনি পূজাৰী আৰু জ্যোতিষীয়া ফৈদ। ৰাজসভাত নানা দোৱানৰ চিঠি-পত্ৰ মাতিবলৈ নিযুক্ত হোৱা বিষয়া আছিল চিৰিং ফুকন। তেওঁৰ অধীনে কাম কৰা ৰাজকৰ্ম্মচাৰীয়ে আগৰ দিনৰ পুথি-পাঁজি, তামৰ ফলি, নৰাদেশৰ চিঠি আদি মাতিব লগাত পৰিছিল বা তাৰ ৰচনা কাৰ্য্য আৰু ভাষাৰ তদাৰক কৰিছিল। বিশেষকৈ, ওখ বাব পাবলৈ হলে আহোম ভাষা জনাটো কিছু পৰিমাণে আৱশ্যক আছিল। গতিকে আহোম ৰাজত্বৰ শেহছোৱালৈকে আহোম ভাষা একপ্ৰকাৰ জীয়াই আছিল, কাৰণ, শেহছোৱাতো আহোম ভাষাৰ তামৰ ফলি আৰু মোহৰ পোৱা যায়। আহোম ৰাজত্বৰ শেষলৈকে, অসমত থকা আহোমসকলৰ নৰাদেশৰে সৈতে বৈবাহিক, সামাজিক, কৃষ্টিমূলক আৰু ৰাষ্ট্ৰীয় লেনদেন চলি আছিল।

আহোম ৰজাসকলে হিন্দুধৰ্ম্ম গ্ৰহণ কৰাৰ পাচতো বামুণীয়া প্ৰথাৰ উপৰিও আহোম প্ৰথামতে সকলো কাৰ্য্য সম্পাদন কৰিছিল। দেওধাই পণ্ডিতে আহোম মতে আহোম মন্ত্ৰ মাতি পূজা দিছিল, ৰজাক শিঙৰি ঘৰত বহুৱাইছিল, আৰু দিন-বাৰ খেন চাইছিল, আৰু অধিকাংশ আহোমৰ মাজত চক্লং মতে বিয়া দিয়াৰ নিয়ম আছিল। ৰজাৰ শ্ৰাদ্ধাদিও হিন্দু আৰু আহোম দুই মতে হৈছিল। তাৰ ফলত ধৰ্ম্ম সম্পৰ্কে ৰজা ঘৰত 'দায়াৰ্কী' বা দ্বৈতপ্ৰথাৰ সৃষ্টি হল।

ৰাজপৰিয়ালৰ মানুহে বা ৰাজকৰ্ম্মচাৰীয়ে যে আহোম ভাষা শিকিছিল বা চৰ্চ্চা কৰিছিল তাৰ প্ৰমাণ বুৰঞ্জীত পোৱা গৈছে। চুক্লেনমুং গড়গঞা ৰজাৰ আই-কুঁৱৰীদেও নৰা ৰজাৰ জীয়েক

আছিল, নাম চাউচিং গাভৰু। বুৰঞ্জীত কয়—"সেই সময়ত গড়গঞা ৰজাই নৰা ৰজাৰ জী চাউচিং কুঁৱৰীক চক্‌লং কৰি ৰাখিলে, আৰু কুঁৱৰীৰ মুগুত ছুৰি দেখি সাহ কৰি ঘৰ কৰিবাক নোৱাৰিছিল। স্নেহে ডাঙৰ, অনেক ৰূপেহে মনক পালে। কুঁৱৰীও ৰূপে-গুণে বৰ পণ্ডিতা, ভৰিয়েৰেহে আহোম আখৰকো লেখিছিল।" তাৰ পাচত চুহুং চামগুৰীয়া ৰজাৰ, খৃঃ ১৬৭৫, দিনত ডেবেৰা বৰবৰুৱা ৰাজ্যৰ সৰ্ব্বেসৰ্ব্বা হৈছিল। এই কথাতে মোমাই তামুলী বৰবৰুৱাৰ জীয়েক পাখৰী বৰকুঁৱৰীয়ে আক্ষেপ কৰি ৰজাক কলে,—"ডেবেৰায়ে যদি এনেকৈ থাকিব লাগিল তুমি কিহৰ ৰজা?" কুঁৱৰীৰ কথা শুনি ৰজাদেৱে কেজনমান বিষয়াৰে সৈতে ডেবেৰাক ধৰিবলৈ আলচ কৰিলে, কোনেও যেন তৰ্কিব নোৱাৰে সেই দেখি বিষয়া কিজনৰ লগত আহোম ভাষাৰেহে ৰজাদেৱে মন্ত্ৰণা কৰিছিল। কিন্তু ৰজাৰ চাঙ্গৰ ঠাইসাৰী লিগিৰী এজনীয়ে ৰজাৰ মন্ত্ৰণাৰ কথা আহোম ভাষাত হৈছিল বুলিও তাক বুজি পাই ডেবেৰাৰ আগত কলেগৈ। বুৰঞ্জীত কয়,—"মমাই তামুলীৰ জীয়েকে ৰজাত কলে,—'ডেবেৰায়ে যদি এনেকৈ থাকিব লাগিল তুমি কিহৰ ৰজা?' পাচে কুঁৱৰীৰ কথাকে লৈ শিমলুগুৰীয়া নাওবৈচা ফুকন, লাইটাই দেওধাই, এই দুইত আহোম কথাৰে ৰজাই ডেবেৰাক ধৰিবলৈ আলচিলে। এই কথা ঠাইসাৰী বেটীয়ে বুজি ডেবেৰা বৰবৰুৱাত কলে,—"তোমাক মাৰিবলৈ আইকুঁৱৰী, নাওবৈচা ফুকন, লাইটাই দেওধাই, এইবোৰে আহোম কথাৰে আলচিছে।" আহোমৰ শেষৰজা কমলেশ্বৰসিংহ আৰু চন্দ্ৰকান্ত-সিংহৰো আহোম মতে 'চুহেন্‌ফা' আৰু 'চুডিন্‌ফা' বুলি নামাকৰণ হৈছিল। ১৭০৮ শকতো গৌৰীনাথ সিংহ স্বৰ্গদেৱে ভিনিহিয়েক সন্দিকৈ বৰবৰুৱাক আহোম ভাষাৰে দানপত্ৰ লিখি তামৰ ফলি দিছিল।

ইয়াৰ পৰা বুজি পোৱা যায় যে আহোম ভাষাৰ জ্ঞান আহোম স্বৰ্গদেৱৰ ৰাজচ'ৰাত একেবাৰে লুপ্ত হোৱা নাছিল। কিন্তু এই ভাষা জন্মগত স্বাভাবিক ভাষাৰ স্থানৰ পৰা ক্ৰমান্বয়ে শিকি লবলগীয়া ভাষাৰ শ্ৰেণীত পৰিছিলগৈ! আমাৰ যেনেকৈ অসমীয়া ভাষা, কেচুৱা কালতে আমি এই ভাষা কবলৈ আপোনা-আপুনি শিকোঁ, ডাঙ্গৰ হলে নানা সুবিধাৰ কাৰণে ইংৰাজী, বঙ্গলা, বা হিন্দুস্থানী কবলৈ বা লিখিবলৈ শিকোঁ। সেইদৰে আহোমসকলৰ মাজত অসমীয়া ভাষা মাতৃভাষা হল; আহোম ভাষা গৈ কষ্টসাধ্য শিকিবলগীয়া ভাষা হলগৈ। কিন্তু কোন সময়ত আহোম ভাষা, মাতৃভাষাৰ শ্ৰেণীৰ পৰা নামি আহিল তাক সঠিককৈ উলিওৱা টান। বহুতৰ বিশ্বাস যে বামুণীকোঁৱৰ, নাইবা প্ৰতাপসিংহ ৰজাৰ দিনত এই পৰিবৰ্ত্তন ঘটিছিল। কিন্তু ইয়াৰ সমসাময়িক প্ৰমাণ আমাৰ হাতত পৰা নাই।

আগৰ দিনৰ আহোম পণ্ডিতসকলক আমি বিশেষকৈ ধন্যবাদ দিওঁ যে তেওঁলোকে তেতিয়াই আহোম নজনা মানুহে আহোম ভাষা শিকাৰ ভাল বন্দোবস্ত কৰি থৈ গৈছিল। আমি অসমীয়াই উনৈশ শতিকাত অভিধান সংকলন কৰিছোঁ; কিন্তু আহোমসকলে তাৰ বহু শতাব্দিৰ পূৰ্ব্বতে অভিধান শাস্ত্ৰৰ প্ৰয়োজনীয়তা বুজি তাক সংকলন কৰি থৈ গৈছে!

আহোম মতে অভিধানক 'অম্ৰ' বুলি কয়। অনুমান এই শব্দটো বিখ্যাত সংস্কৃত অভিধান 'অমৰ-কোষ' বা 'অমৰ' এই নামৰ পৰা আহিছে। যেনেকৈ পুৰণি তৰপৰ মানুহে যেই-সেই বাতৰি কাকত বা মাহেকীয়া কাকতক অৰুণোদয় বা 'অৰুন্দহী' বুলি কয়, সেইদৰে যেই-সেই অভিধানক 'হেমকোষ' বুলি কোৱাও শুনা গৈছে। 'অম্ৰ' শব্দৰ অন্য উৎপত্তিও হব পাৰে।

আহোম ভাষাত লিখা দুখন অম্ৰ পুথি পোৱা গৈছে। প্ৰথমখন বৰ-অম্ৰ আৰু দ্বিতীয়খন ফুল-অম্ৰ বা লতী-অম্ৰ। আগৰ

দিনত আহোম শিকাৰুসকলে আহোম আখৰ আৰু আহোম বাৰেমতৰা আওৰোৱাৰ পাচতে এই অম্ৰ তুখন মুখস্থ কৰিছিল। পণ্ডিতসকলে কিন্তু ভালকৈ জানিছিল যে এই পুথি তুখন আয়ত্ত কৰি লব পাৰিলে আহোম ভাষাৰ ওপৰত সহজে অধিকাৰ জন্মিব, সেইদেখি তেওঁলোকে সহজে এই পুথি শিকাৰুসকলৰ হাতত সমৰ্পণ নকৰিছিল। ছাত্ৰসকলে নানাৰূপে ভক্তি-সন্মান আৰু আগ্ৰহ দেখুৱালেহে এই পুথি গুৰুৱে তেওঁলোকৰ হাতত দিছিল, নহলে দেৱতাৰ স্তুতি থকা 'থামকৰা' পুথি লৈয়ে ছাত্ৰসকল সন্তুষ্ট থাকিবলৈ বাধ্য হৈছিল।

বৰ-অম্ৰ।—বৰ-অম্ৰ পুথিত আহোম বৰ্ণমালা অনুসাৰে সকলো শব্দ সজোৱা হৈছে,—কা, খা, ঙা, না, টা, পা, ফা, বা, মা, জা, চা, থা, ৰা, লা, ছা, ঞা, হা, আ। মাজে মাজে ইয়াৰ অলপ-অচৰপ ব্যতিক্ৰমো ঘটিছে।

বৰ-অম্ৰ পুথিত প্ৰথমতে আহোম শব্দ লিখি তাৰ পাচত তাৰ অসমীয়া প্ৰতিশব্দ দিয়া হৈছে। একোটা আহোম শব্দৰ কেবাটাও অৰ্থ থাকিলে তাকো একেলগে দিয়া হৈছে। আহোম শব্দ আৰু তাৰ অসমীয়া প্ৰতিশব্দৰ মাজত প্ৰায় নিৰৰ্থক 'চাম্বা' শব্দটো আওৰাবলৈ সুবিধাৰ কাৰণে ব্যৱহাৰ কৰা হৈছে। আহোম শব্দ, 'চাম্বা' আৰু তাৰ অসমীয়া প্ৰতিশব্দ, এই তিনিওটাকে আহোম আখৰেৰে লিখা হৈছে। অসমীয়া শব্দ গোটাচেৰেক আহোমৰ মুখত পৰি কিৰূপে বিকৃত হৈছিল, তাৰ প্ৰমাণ আহোম আখৰত লিখা এই অসমীয়া প্ৰতিশব্দাৱলীৰ পৰা বুজিব পাৰি।

বৰ-অম্ৰ পুথিৰ প্ৰথম পাতৰ প্ৰথম তুই শাৰীত আহোম বৰ্ণমালাৰ প্ৰথম আখৰ 'কা'ৰ অন্তৰ্গত শব্দাৱলী আছে; যথা,—

কা	চাম্বা	কাউউৰিক
কা	চাম্বা	যাবৰ

কা	চাম্বা	বেহাবৰ
কা	চাম্বা	জুখাক
কা	চাম্বা	কপালিক
কা	চাম্বা	কচ্টক
কা	চাম্বা	এৰাল-ডাকুৰক
কা	চাম্বা	ভাৰথুআক
কা	চাম্বা	নাচিবৰ
কা	চাম্বা	কঠিআক

বৰ-অত্ৰ পুথিৰ পৰা আমি আৰু গোটাচেৰেক শব্দৰ অৰ্থ, পুথিত পোৱাৰ দৰে আখৰ জোঁটনি ৰাখি, তলত তুলি দিলোঁ,—

খাও	চাম্বা	হুভেহক
খাও	চাম্বা	হিবুলাকক
না	চাম্বা	পঠাৰক
না	চাম্বা	বিআধিক
না	চাম্বা	সাতাক
চি	চাম্বা	পুৰিবৰ
চি	চাম্বা	চিলিমক
চু	চাম্বা	জুগক
চু	চাম্বা	লগ ধৰিবৰ
চে	চাম্বা	নগৰক
টি	চাম্বা	জুমিবৰ
টাঙ	চাম্বা	বগাবৰ
টাই	চাম্বা	মৰিবৰ
চু	চাম্বা	দেৱক
টুক	চাম্বা	হিঙাবুআক
প	চাম্বা	বাপেকক

প	চাম্বা	ৰাজ্যক
ম	চাম্বা	পঁৰিতক
ফা	চাম্বা	কাপুৰুক
ফি	চাম্বা	দেৱতাক
ফু	চাম্বা	মটা
ঠ	চাম্বা	জুৰি গীত গাবৰ
ঠাও	চাম্বা	বুঢ়াক
চাই	চাম্বা	সুজিবৰ
ৰ	চাম্বা	ধানৰ চিৰা
ৰাও	চাম্বা	সুজিবৰ
এ্যা	চাম্বা	দৰপক
লা	চাম্বা	বেলি ভটিআবৰ
মু	চাম্বা	জীয়ৰী আটাইতকে হৰুটীক
কক	চাম্বা	জুই গুজি দিবৰ
আক	চাম্বা	মনৰ
চেউ	চাম্বা	বৈ থাকিবৰ
ৰাম	চাম্বা	উপচিবৰ
মাম	চাম্বা	ডকা-ডমকা
ৰাক	চাম্বা	ৰটিআবৰ
থাঙ	চাম্বা	ফৰমুৰি মাৰিবৰ
টুঙ	চাম্বা	কুচ পাতি ধৰিবৰ
ফাঙ	চাম্বা	গৰিআক
জিঙ	চাম্বা	পানিপাৰক
মঙ	চাম্বা	আলুধুক
খুন	চাম্বা	ৰজাক
টুন	চাম্বা	বঙহক

পিন	চাম্বা	পিন্ধিবৰ
ছন	চাম্বা	হিকাবৰ
কুমখে	চাম্বা	গঙাজল
এঙাই	চাম্বা	গুটিধাল
ইউ	চাম্বা	জৰি গছৰ পাতক
খম	চাম্বা	আগকৰা
ৰিপ	চাম্বা	বৰহুন দিবৰ
খুপ	চাম্বা	আঠু কাঢ়িবৰ
ৰিন	চাম্বা	হিলক
চুঙ	চাম্বা	হাল বাবৰ
মুঙ	চাম্বা	ৰাজ্যক
ক্ৰিঙ	চাম্বা	পূৰ্ব্বৰ বিত্তবহাৰ
টাঙ	চাম্বা	উহমিহ লগাবৰ
লাক	চাম্বা	চুচুৰাবৰ
লেক	চাম্বা	তেজক
কক	চাম্বা	কলহক
ই	চাম্বা	হকুটিক
আঙ	চাম্বা	হুন-ৰূপ লগাবৰ
লাঙ	চাম্বা	লুকাবৰ
নি	চাম্বা	গুটখাই আলচিবৰ
এঙ	চাম্বা	মুহনিক
টাই	চাম্বা	জুৰ লগাই ফুৰিবৰ
ঙাম	চাম্বা	ঘুমাবৰ
চু	চাম্বা	যুগল
চু	চাম্বা	লগ ধৰিবৰ
চু	চাম্বা	জুজনক

খে	চাম্বা	খেআলি জালক
খা	চাম্বা	খেৰক
খাও	চাম্বা	ছুভেহক
ফিনিপ	চাম্বা	মাখিমুৰিআ গাৰক
কানাঙ	চাম্বা	বাৰু খেলাবৰ
চঙমে	চাম্বা	অনুচিতিক
অমিট	চাম্বা	ঝগৰক
জাট	চাম্বা	উজট খাবৰ
জেঙজা	চাম্বা	কাঙুৰিক
ফুজা	চাম্বা	কঙৰাক
পিনচাং	চাম্বা	বৰলাক
ফাচাটকাৰক	চাম্বা	মানাটপুৰ
লাই	চাম্বা	হাতুৰিবৰ

লক্ষ্মী অস্ত্র বা ফুল অস্ত্র।—এইখন পুথি সুকীয়া। ইয়াত সংস্কৃত অমৰ-কোষৰ দৰে নানা বিষয়ত শব্দবোৰ সজোৱা হৈছে। প্ৰথমতে ঘৰ-সম্পৰ্কীয়া সকলো অসমীয়া শব্দৰ আহোম প্ৰতিশব্দ দিয়া হৈছে। পোনতে অসমীয়া শব্দ, তাৰ পাচত 'চাম্বা'ৰ দৰে সংযোগী 'বুলে' শব্দ, তাৰ পাচত আহোম প্ৰতিশব্দ। এই তিনিওটা শব্দ আহোম আখৰেৰে লিখা আছে; যথা,—

পিৰালিক	বুলে	ৰংৰিণ
ভেটিক	বুলে	টিৰিন
খুটাক	বুলে	চাউ
চটিক	বুলে	খু
মাৰলিক	বুলে	পে
ডাঙক	বুলে	ডাঙনই
বগলিডাঙক	বুলে	ডাঙনাই

কৰাক	বুলে	কন
কামিক	বুলে	কিপ
বান্ধিবৰ	বুলে	ফান-খত
মটাগাঠিক	বুলে	ফু-খত

ঘৰৰ পাচত মানুহৰ অঙ্গ-প্ৰত্যঙ্গ সম্পৰ্কীয় সকলো শব্দ সজোৱা হৈছে ; যথা,—

মুৰক	বুলে	ৰু
চুলিক	বুলে	পান্-ৰু
কপালক	বুলে	না
চকুক	বুলে	টা
নাকক	বুলে	ডাঙ
নাকৰ বাটক	বুলে	ডাঙ্-বঙ্
মুখক	বুলে	চুপ
দাটক	বুলে	খ্রিউ
জিবাক	বুলে	লিউ
লিঙকাইক	বুলে	কাইলিঙ
কানক	বুলে	পিক্
হাটক	বুলে	কেখাই-কেচাই
বুকুক	বুলে	চেউ
ককালক	বুলে	আঙ
পেটক	বুলে	টঙ
ভুৰুক	বুলে	পুম
পেট্কক	বুলে	ছাই
আঙুলিক	বুলে	নিউ
আগমঙহক	বুলে	টাপ
কলডিলক	বুলে	পি

পিটক	বুলে	পিট
ভৰিক	বুলে	টিঙ
কৰঙনক	বুলে	খা
ভৰিৰ-আঙুলিক	”	টিন-নিউ

মানুহ-সম্পৰ্কীয় শব্দৰ পাচত মাছ-সম্পৰ্কীয় শব্দসমূহৰ আহোম প্ৰতিশব্দ আছে ; যথা,—“মাছৰ লেখা,—ড়ুনাই টামান লাক্ ৰূপা চাঙ্কাইনাম ।

মাগুৰ মাছক	বুলে	প্লাডুক্ নান্
কাঐ মাছক	বুলে	প্লাপ্লকৃৰক্
হিঙি মাছক	বুলে	প্লানুক্ৰি
হিঙৰা মাছক	বুলে	প্লাৰিউকঙ
হৰু হিঙৰাক	বুলে	প্লাঙি
পুথি মাছক	বুলে	প্লাখেথাউ
কানিপুথিক	বুলে	প্লাখাউখুম
দনিকণাক	বুলে	প্লালিউ
হেচেই দনিকণাক	বুলে	প্লানিউনই
খলিহনা মাছক	বুলে	প্লাচেৰিউলাই
ভেচেলি মাছক	বুলে	প্লাচেনই
ৰাধনি মাছক	বুলে	প্লাককাউ
চেইলকণা মাছক	বুলে	প্লালুম্
ৰিঠা মাছক	বুলে	প্লাপিঙ

মাছ-সম্পৰ্কীয় শব্দৰ পাচত গছ, ফুল, লতা আদিক বুজোৱা অসমীয়া শব্দৰ আহোম প্ৰতিশব্দ আছে। তদনুমান সেই দেখি এইখন অম্ৰক ফুল-অম্ৰ বা লতা-অম্ৰ বোলে। এই ছোৱাৰ শব্দ যথা,—

কচুক	বুলে	মুক্
বৰকচুক	বুলে	মুকলুঙ

দহিকচুক	বুলে	কাই
বৰকচুক	বুলে	মুকৃৰিণ
হুনবৰিয়ালক	বুলে	এ্ঞাখাট চাই
বৰ হুনবৰিয়ালক	বুলে	এ্ঞাফাই
বৰ গচক	বুলে	টুঙৰুঙলুঙ
লাইজাবাৰিক	বুলে	এ্ঞাকিপ্ খাই
দ্রুন বনক	বুলে	এ্ঞান
এৰালি বনক	বুলে	এ্ঞাচাই
আফুকনক	বুলে	এ্ঞাচেলুক
আউলুৱা মেটেকাক	বুলে	আইখাঙ
বৰ মানিমুনিক	বুলে	ফাঙাম আইলুঙ
হৰু মানিমুনিক	বুলে	ফাঙাম আইনয়

ফুলৰ লেখা,—

তুলহি ফুলক	বুলে	এ্ঞাহান কাম
মৰাণ ফুলক	বুলে	ইউফ্রিউ
টঙলতিক	বুলে	ব্লকএ্ঞা নাঙ
মকুৰা ফুলক	বুলে	লিঙখ্রিঙ
হেউতি ফুলক	বুলে	ব্লকঅম্
মালতিক	বুলে	ব্লকঙাম
তগৰক	বুলে	ব্লকখে
গুটিমালিক	বুলে	ব্লকহমদি
খৰিকাজাই ফুলক	বুলে	ব্লকহম

ইয়াৰ বাহিৰেও লতী-অম্রৰ শব্দাৱলীৰ পৰা আৰু গোটাচেৰেক প্ৰতিশব্দ তুলি দিয়া হল; যথা,—

চিত লক	বুলে	প্লাছান্তান

ভেউমাছক	বুলে	প্লাঙাৰিলুঙ
বৰগলা মাছক	বুলে	প্লানালুঙ
আৰি মাছক	বুলে	প্লাৰিপ্ম
ঘৰিয়া মাছক	বুলে	প্লাখুম
হিহুক	বুলে	প্লাখা
ঘৰিয়ালক	বুলে	প্লাখুম
লাটৰুণক	বুলে	থাওখিউ
হাৰ ঘুনুচাক	বুলে	ঠাউকাপনুক
ভেদেলি লতাক	বুলে	ঠাউঠুটমা
দলক	বুলে	ঙাফাঙ
মটা বিহলঙনিক	বুলে	ফাক ফাইনিঞ
কাচন ফুলক	বুলে	ব্লুকচিউ
চিঙকৰা ফুলক	বুলে	ব্লকচিঙফা
কল গছক	বুলে	কুইটুন
মালভোগ শাকক	বুলে	ফাকচাঙম্বন
মিঠা মৰাশাকক	বুলে	ফাকচেঙবান
বৰ ঢেকিতাক	বুলে	ফাকুটলুঙ
বৰ বেঙেনাক	বুলে	মাকখু লুঙ
লফা হাকক	বুলে	ফাকমুন

টোকা—ওপৰৰ প্ৰৱন্ধটি ১৯৩১ চনত ৰচিত হৈছিল, আৰু "আৱাহানত" প্ৰকাশিত হৈছিল, ১৮৫৩ শক, পুহ মাঘ, ৩য় বছৰ, ৩য় সংখ্যা, পিঠি ২৫৭-২৬৩। তেতিয়া, শিৱসাগৰৰ আথৈয়া দেওধাই গাওঁ নিবাসী স্বৰ্গীয় নন্দনাথ ফুকনদেৱে অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত আহোম পণ্ডিতৰূপে কিছুদিনলৈ কাম কৰিছিল। বৰ্ত্তমান প্ৰৱন্ধত সন্নিবিষ্ট আহোম শব্দৰ অসমীয়া

প্ৰতিশব্দ, আৰু অসমীয়া শব্দৰ আহোম প্ৰতিশব্দ খিনিৰ পাঠ উক্ত ফুকনদেৱৰ সহায়েৰে নকল কৰা হৈছিল। বৰ-অম্ৰৰ সাঁচিপতীয়া পুথি এখন কোচবেহাৰৰ বাবু কৈলাসচন্দ্ৰ সেনৰপৰা অসম গৱৰ্ণমেণ্টৰ কাৰণে স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী ডাঙ্গৰীয়াই সংগ্ৰহ কৰিছিল, আৰু লতৌ-অম্ৰ পুথি এখন ফুকনদেৱৰ হাতত পোৱা হৈছিল। এই দুখন পুথিৰ অসমীয়া আখৰত লিখা পাণ্ডুলিপি এটা অসমৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সংৰক্ষিত হৈছে। স্বৰ্গীয় গোলাপচন্দ্ৰ বৰুৱা ডাঙ্গৰীয়াই অশেষ পৰিশ্ৰমৰে সংকলন কৰা আহোম ইংৰাজী অভিধান এখন ১৯২০ চনত অসম গৱৰ্ণমেণ্টে প্ৰকাশ কৰিছিল। তাত, বৰ-অম্ৰ আৰু লতৌ-অম্ৰত থকা শব্দাৱলীৰ বাহিৰেও, আহোম বুৰঞ্জী আৰু অন্যান্য পুথিত পোৱা আহোম শব্দৰ অৰ্থ দিয়া হৈছে। বৰ্ত্তমানে, বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ জৰিয়তে শ্ৰীযুত বিমলাকান্ত বৰুৱা বি-এ আৰু শ্ৰীযুত ডম্বৰুধৰ ফুকন আহোম পণ্ডিত, এওঁলোক দুজনে বৰ-অম্ৰ আৰু লতৌ-অম্ৰৰ শুদ্ধ পাঠ এটি যুক্ত কৰিবলৈ ধৰিছে।

আহোম ৰজাসকলৰ মুদ্ৰা

লিখক—শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ, বি-এ।

ইংৰাজৰ আগতে অসম শাসন কৰোতা আহোম সকল বিখ্যাত ছান বা টাই জাতিৰ এটা ঠাল। ৰাজকোঁৱৰ চুকাফাই ৰাজপাট নিষ্কণ্টক নেদেখি লগত এমুঠিমান অনুচৰ লৈ নিজ দেশ পং (মুংমাও) এৰি আহে আৰু প্ৰায় ১৩ বছৰ কাল পাটকাই পৰ্ব্বতত অনাই বনাই ফুৰি ১২২৮ খৃঃত অসম সোমাই সৌমাৰ পীঠত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰে। তেওঁৰ বংশধৰ সকলে এই ৰাজ্য ক্ৰমান্বয়ে পূৱে পাটকাই পৰ্ব্বতৰ পৰা পশ্চিমে বৰ্ত্তমান কামৰূপ জিলাৰ পশ্চিম সীমা মানাহ নৈ পৰ্য্যন্ত বহলাই আৰু দাঁতি কাষৰীয়া পৰ্ব্বতীয়া জাতি সমূহক বশ কৰি কড়-কাটল আদায় কৰে। কোঁৱৰ চুকাফা আৰু তেওঁৰ বংশধৰ সকলে (মুঠ ৩৯ জন ৰজা) ১২২৮ খৃষ্টাব্দৰ পৰা ১৮২৬ খৃষ্টাব্দ পৰ্য্যন্ত শাসন কৰে আৰু ১৮২৬ খৃষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীত ইষ্ট ইণ্ডিয়া কোম্পানী আৰু মান ৰজাৰ এটা দলৰ মাজত হোৱা য়াণ্ডাবু সন্ধি মতে অসম ইংৰাজৰ হাতলৈ যায়।

সমসাময়িক আন আন ভাৰতীয় ৰজা সকলৰ মুদ্ৰাৰ দৰেই আহোম ৰজা সকলৰ মুদ্ৰাবোৰ এতোলা অৰ্থাৎ ৯৬ ৰতি (১৭৬ গ্ৰেইন) ওজনৰ আছিল। মুদ্ৰাৰ আকৃতি কিন্তু আঠ কোণীয়া আছিল. ঘূৰণীয়া নাছিল। স্বৰ্গীয় হৰকান্ত বৰুৱা সদৰ আমিনৰ অসম বুৰঞ্জী মতে আহোমৰ সপ্তদশ ৰজা স্বৰ্গদেৱ চুচেংফা ওৰফে প্ৰতাপ সিংহই মোহৰ মাৰে আৰু বামুন পণ্ডিতৰ উপদেশানুযায়ী মুদ্ৰাৰ আকৃতি অষ্ট কোণীয়া কৰে। যোগিনী তন্ত্ৰত লিখা "অষ্ট কোণঞ্চ সৌমাৰং যত্ৰ দিক্কৰবাসিনী" শ্লোকমতে সৌমাৰ পীঠ আঠ কোণীয়া আছিল আৰু সেই অনুযায়ী পণ্ডিত সকলে মুদ্ৰাৰ আকাৰ অষ্ট কোণী কৰিবলৈ

উপদেশ দিয়ে বুলি কোনো কোনোৱে কয়। কিন্তু এই মত তলত দিয়া কাৰণ সমূহৰ হেতু সত্য নহয় যেন লাগে। (ক) যোগিনী তন্ত্র প্রথম কোঁচ ৰজা বিশ্বসিংহৰ জীৱিত কালত লিখা যেন দেখা যায়। (খৃঃ ১৫১৭-৩০)। চাৰ এডোৱাৰ্ড গেইটৰ অসম বুৰঞ্জী আৰু Mr A. W. Botham ৰ Catalogue of the Provincial Coin Cabinet, Assam"ত দেখা যায় যে আহোমৰ পঞ্চদশ ৰজা স্বৰ্গদেও চুক্লেন্‌মুঙে ১৫৪৩ খৃষ্টাব্দত আঠ কোণীয়া মোহৰ প্রথমে আহোম ভাষাত মাৰে। এই সময়ত আহোম ৰাজ্যৰ সীমা সৌমাৰ পীঠৰ বাহিৰেও বহু ঠাই পৰ্য্যন্ত বিস্তৃত হৈছিল। গতিকে বিশাল ৰাজ্যৰ ৰজা হৈয়ো কেৱল সৌমাৰ পীঠৰ ৰজা বুলি ঘোষণা কৰাৰ কোনো যুক্তি নাই। (খ) জাতি উপ-জাতিয়ে কোনো এটা সংখ্যাত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা যায়। আহোমসকলৰ মতে আহোমসকলৰ আদি পুৰুষ ইন্দ্র ৮ লাখ দেৱতাৰ অধিপতি আছিল আৰু তেওঁৰ হাতত আঠ লাখ বজ্র আছিল। লেংদনৰ ভতিজাক থেংখামৰ সিংহাসনৰ আঠোটা খাপ আছিল; সৰ্ব্ব প্রথমে সৃজিত সাপটোৰ আঠখন ফণা আছিল; স্বৰ্গৰ আঠ কোণত আঠটা খুটা আছিল। ঈশ্বৰৰ দ্বিতীয় পুত্র ছেং ছাফাফ্রাম আঠ লাখ সাপৰ ৰজা আছিল। ঈশ্বৰৰ তৃতীয় পুত্র ছেংখামফাৰ আঠ নিযুত বজ্র আছিল। ভিৰিমখাম আঠ লাখ বজ্র আৰু বিজুলীৰ অধিকাৰী আছিল। গতিকে আহোম সকলে ৮ (আঠ) সংখ্যাটোত বিশেষ গুৰুত্ব দিয়াৰ সম্ভৱনা আছিল আৰু সেই অনুপাতে তেওঁলোকৰ মুদ্রা আঠ কোণীয়া কৰাতো সম্ভৱপৰ আছিল। (গ) যেই কোনো ৰাজ্যৰ আঠটা দিগ্‌ থাকিব পাৰে আৰু আঠফালে বহলাব পাৰে। (ঘ) হিন্দুৰ সংস্পৰ্শত আহিছিল যদিও সেই সময়ত আহোম সকলে হিন্দু ধৰ্ম্ম গ্রহণ কৰা নাছিল।

ষষ্ঠদশ আহোম ৰজা স্বৰ্গদেও চুখামফাক (১৫৫২—১৬০৩ খৃঃ) ১৫৬৩ খৃঃত দিখৌমুখৰ ৰণত পৰাস্ত কৰি দ্বিতীয় কোচ ৰজা

নৰনাৰায়ণৰ ভায়েক চিলাৰায়ে ওল স্বৰূপে (as hostage) নি ১৫৬৪ খৃঃত এৰি দিয়া সুন্দৰ গোহাঁইৰ মুখে শুনি সপ্তদশ আহোম ৰজা জনে কোঁচ ৰজা সকলৰ অনুসৰণ কৰি মোহৰ মাৰে বুলি স্বৰ্গীয় হৰকান্ত বৰুৱাৰ বুৰঞ্জীয়ে কয়। সুন্দৰ গোহাই কোঁচ ৰাজ্যত দেখি অহা কথা বৰ্ণনা কৰিবলৈ ১৬১০ খৃঃ পৰ্য্যন্ত জীৱিত আছিল নে নাছিল জনা নাযায়। যেহেতু প্ৰথম আহোম মুদ্ৰা মুদ্ৰিত হয় ১৫৪৩ খৃঃত সেই হেতু এই মত সত্য বুলি কব নোৱাৰি।

চাৰ গেইটে তেওঁৰ অসম বুৰঞ্জীত লিখিছে যে কেৱল আকৃতিৰ বাহিৰে আন সকলো বিষয়তে আহোম মুদ্ৰা বিলাক কোঁচ মুদ্ৰা বিলাকৰে সৈতে একে আছিল। "তেওঁলোকৰ (আহোমৰ) কৃত-কাৰ্য্যতাই দেখা দেখিকৈ তেওঁলোকক হুচেইনী বংশৰ মুছলমান ৰজা সকলৰ মুদ্ৰা নীতি অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। (আহোম সকল পোন প্ৰথমে ১৫২৭ খৃঃত মুছলমানসকলৰ সংস্পৰ্শত আহে।) আৰু ১৫৪৩ খৃঃত চুহুংমুঙৰ পুত্ৰ চুক্লেন মুঙে প্ৰথম আহোম মুদ্ৰা প্ৰচলন কৰে। মিঃ এ, ডব্লিউ বঠামৰ মতে কেৱল আখৰ আৰু আকৃতিত বাজে আন আন বিষয়ত আহোম মুদ্ৰা বিলাক আল্লা-উদ্দিন হুচেন শাহৰ পুত্ৰ নছৰৎ শাহ আৰু গিয়াচুদ্দিনৰ মুদ্ৰাৰে সৈতে একে আছিল। বঠাম চাহাবে আৰু কয় যে মোহৰৰ প্ৰণালী বঙ্গ দেশৰ হিন্দু ৰজা দনুজমৰ্দ্দন আৰু মহেন্দ্ৰদেৱৰ (১৫ শতিকা) পৰা প্ৰত্যক্ষ ধাৰ কৰা যেন ধাৰণা হয়। যেহেতু বঠামে ভাৰতৰ সকলো মুদ্ৰাৰে তুলনামূলক অধ্যয়ন কৰিছিল গতিকে তেওঁৰ মত গ্ৰহণ কৰিব পৰা যায়।

১৫৪০ খৃঃৰ এটা আহোম মুদ্ৰাত এনেদৰে লিখা আছে :—ওপৰ পিঠি—(১) চাওফা (২) চুক্লেনমুং (৩) পিনচাও (৪) লাক্নি (৫) প্লেক্নি ; তল পিঠি — (১) কাও (২) বয় ফ্ৰা (৩) তাৰা (৪) হেওচু ? ওপৰ ফালে একোণত উদ্দীয়মান সূৰ্য্যৰ ছবি এটা আছে।

বঠামৰ লিখা খিনি অতি সংক্ষেপে দিয়া হ'ল— প্ৰথমতে আহোম ৰজা সকলে শিঙৰী ঘৰত উঠাৰ উপলক্ষে মোহৰ মাৰিছিল ; কিন্তু ১৬৯৬ খৃঃত ত্ৰিংশত আহোম ৰজা স্বৰ্গদেও ৰুদ্ৰ সিংহ ৰাজ-পাটত উঠাৰ পৰা ১৮২১ খৃঃলৈকে এই কাল ছোৱাত প্ৰতি বছৰে অসমীয়া আখৰত মোহৰ মৰা হৈছিল। আহোমৰ বিংশ ৰজা স্বৰ্গ-দেও জয়ধ্বজ সিংহ আৰু একবিংশ ৰজা স্বৰ্গদেও চক্ৰধ্বজ সিংহৰ-পৰা আহোম ৰাজত্বৰ শেষলৈকে হিন্দু ধৰ্ম্মৰ প্ৰভাৱত অসমীয়া আখৰেৰে সংস্কৃত মোহৰ মৰা হৈছিল। টকীয়া মোহৰৰ ওপৰ পিঠিত ৰজাৰ নাম আৰু বছৰ আৰু তল পিঠিত আৰাধ্য দেৱ-দেৱীৰ নাম লিখা থাকে। একত্ৰিংশ আহোম ৰজা স্বৰ্গদেৱ শিৱসিংহই (১৭১৪ —৪৪ খৃঃ) তেওঁৰ তিনিজনা কুঁৱৰীক ক্ৰমন্বয়ে নিজ নিজ নামত মোহৰ মাৰিবলৈ অনুমতি দিয়ে। ব্ৰাহ্মণ পণ্ডিত সকলৰ উপদেশ অনুযায়ী চত্ৰ-ভঙ্গ যুগ খণ্ডন কৰিবলৈ বজাই তিনিজনা কুঁৱৰীক ক্ৰমান্বয়ে ৰাজ্য শাসন কৰিবলৈ দিয়ে। স্বৰ্গদেও শিৱসিংহৰ বৰ ৰাণী প্ৰমথেশ্বৰী ওৰফে ফুলেশ্বৰীয়ে ১৬৫১ শকত পাৰ্চি ভাষাত চাৰি চুকীয়া মোহৰ মাৰে। মোহৰত লিখা আছে — ওপৰৰ পিঠি (১) চাহ শিও সিং (২) চিক্কা (৩) যাদ চাও মোহৰ (৪ বখামে বেগম পৰহতিশৰী, তলৰ পিঠি - (১ মই মানত মানুষ (২) ১৫ (৩) চনে জলুচ (৪) জাৰব গড়গাওঁ (৫) ১৬৫১। [( ) ৰজা শিৱ-সিংহৰ (২) টকা (৩) মোহৰৰ দৰে মুদ্ৰিত (৪) বেগম পৰহতিশৰীৰ আদেশ অনুযায়ী তলৰ পিঠি (১) এজন অন্তৰঙ্গ বন্ধুৰ সম্পদ (২) (২) ১৫ (৩) ৰাজপাটত উঠাৰ তাৰিখ (৪) গড়গাৱঁত মুদ্ৰিত (৫) ১৬৫১ *]। আহোমৰ ত্ৰয়োবিংশ ৰজা স্বৰ্গদেও ৰাজেশ্বৰ সিংহই (১৭৫২ — ৬৮ খৃঃ) ১৬৭৫ শক আৰু ১৬৮৫ শকত আঠ কোণীয়া

* মৌঃ পীৰ জাহান বি-এ, বি-টিৰ দ্বাৰা ইংৰাজী অনুবাদ।

আৰু চাৰি কোণীয়া মোহৰ যথা ক্রমে অসমীয়া আৰু পার্চি আখৰেৰে মাৰে আৰু নৱ ত্রিংশত আহোম ৰজা স্বর্গদেও যোগেশ্বৰ সিংহই আটাইতকৈ শেষত ১৮২১ খৃঃত এসিকিয়া মোহৰ মাৰে। স্বর্গদেও ৰুদ্রসিংহই আধলি আৰু সিকিৰ প্রচলন কৰে; স্বর্গদেও ৰাজেশ্বৰ সিংহই আদমহীয়া আৰু চৰতীয়া প্রচলন কৰে আৰু স্বর্গদেও গৌৰী নাথ সিংহই ডবল পইচাৰ প্রচলন কৰে। কড়িৰ প্রচলন থকাত তামৰ পইচাৰ প্রচলন নাছিল। গড়গাওঁ, ৰংপুৰ আৰু দিচৈত * টাক শাল আছিল।

চাৰ এডোৱার্ড গেইটৰ অসম বুৰঞ্জীত আমি নিম্ন লিখিত বিবৰণ পাওঁ :— স্বর্গদেও শিৱসিংহই আদমহীয়া প্রথমে প্রচলন কৰে। তেওঁ সচৰাচৰ সোণৰ মোহৰ মাৰিছিল। দ্বাবিংশত আহোম ৰজা স্বর্গদেও উদয়াদিত্যই (১৭৬০ — ৭৩ খৃঃ) কেৱল সোণৰ মোহৰ হে মাৰিছিল। স্বর্গদেও চুক্লেনমুঙে আহোম ভাষাত, স্বর্গদেও জয়ধ্বজ সিংহ আৰু স্বর্গদেও চক্রধ্বজ সিংহই সংস্কৃত ভাষাত কিন্তু বঙ্গলা (অসমীয়া) আখৰত আৰু স্বর্গদেও ৰুদ্র সিংহই আৰু তেওঁৰ পৰবর্ত্তী ৰজা সকলে সংস্কৃত ভাষাত মোহৰ মাৰিছিল। স্বর্গদেও প্রমত্ত সিংহ আৰু স্বর্গদেও ৰাজেশ্বৰ সিংহই ৰাজপাটত উঠা বছৰত আহোম ভাষাত মোহৰ মাৰিছিল। স্বর্গদেও শিৱসিংহ; ৰাজেশ্বৰ সিংহ আৰু লক্ষ্মীসিংহই চাৰিচুকীয়া মুদ্রা সংস্কৃত ভাষাত যথাক্রমে ১৭২৯, ১৭৫২, ১৭৭৭ খৃঃ ত মৰিছিল।

স্বর্গীয় হৰকান্ত বৰুৱা সদৰ আমিনে অসম বুৰঞ্জীত লিখিছে যে বিদ্রোহী মোৱামৰীয়াই ৰজা পতা মৰাণ ৰমাকান্তই (১৭৬৯ খৃঃ) আহোম মুদ্রাৰ পৰা পৃথক কৰিবলৈ ন কোণীয়া মোহৰ মাৰিছিল। এই মোহৰ আজিকালি পোৱা নাযায়। গেইটৰ অসম বুৰঞ্জীত পোৱা যায় যে মোৱামৰীয়াৰ ৰজা ভৰথ সিংহই (১৭৯১—৯৬ খৃঃ) আৰু সর্ব্বানন্দ সিংহই (১৭৯৪ — ৯৫ খৃঃ) আঠ চুকীয়া ৰূপৰ

---

* এই তিনিখন ঠাই বর্ত্তমান শিৱসাগৰ জিলাৰ অন্তর্গত।

মোহৰ মাৰিছিল। এনে এটা অসমীয়া আখৰেবে সংস্কৃত ভাষাত লিখা মোহৰ মই উত্তৰ লক্ষীমপুৰ মহকুমাত পাইছিলো। বঠামে এই দুই ৰজাৰ মুদ্ৰাৰ লিপি এনেদৰে ব্যাখ্যা কৰিছে যে ঃ— (ক) ওপৰ পিঠি (১) শ্ৰীশ্ৰীস্বৰ্গ (২) দেৱ শ্ৰীসৰ্ব্বান (৩) ন্দ সিংহ নৃপস্য (৪) শাকে ১৭১৬; তল পিঠিত — শ্ৰীশ্ৰীকৃষ্ণ (২) চৰণ কমল (৩) মকৰন্দ ম (৪) ধু কৰস্য। (খ) ওপৰৰ পিঠি — (১) শ্ৰীভগদত্ত (২) কুলোদ্ভব শ্ৰীভ (৩) ৰথসিংহ নৃপস্য (৪) শাকে ১৭১৮; তল পিঠি — (১) শ্ৰীশ্ৰীকৃষ্ণ (২) চৰণাৰবিন্দ (৩) মকৰন্দ প্ৰমত্ত (৪) মধুকৰস্য।

সাধাৰণতে মোহৰত লিখা দেৱতাৰ নাম আহোম ভাষাত হলে ইন্দ্ৰ আৰু সংস্কৃতত হলে শিৱ বা হৰ গৌৰী পোৱা যায়। বিদ্ৰোহী বৈষ্ণৱ ৰজা সৰ্ব্বানন্দ সিংহই কৃষ্ণৰ নাম উল্লেখ কৰিছিল। অষ্ট ত্ৰিংশত আহোম ৰজা স্বৰ্গদেও পুৰন্দৰ সিংহৰ পিতৃ ব্ৰজনাথ গোঁহাই ৰজা নহলেও তেওঁৰ নামত মোহৰ মাৰি তাত ৰাধা-কৃষ্ণৰ নাম লিখিছিল। খুব সম্ভৱ পুৰন্দৰ সিংহই নিজে মোহৰ মৰা নাছিল।

বঠাম চাহাবে দিয়া নমুনা লিপিৰ পৰা তলত দিয়া কথা খিনি যথাক্ৰমে সংগ্ৰহ কৰিব পাৰি ঃ—

(১) সমান মূল্যৰ মোহৰ বিলাকৰ আয়তন সমান নাছিল;

(২) আঠচুকীয়া মোহৰৰ বাহু কেইটা পৰস্পৰ সমান নাছিল।

(৩) মোহৰৰ মূল্য তাৰ আয়তনৰ পৰা বুজিব লাগিব;

(৪) টকীয়া, সিকি আৰু স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ কিছুমান মোহৰৰ বাদে আন মোহৰ বিলাকত মোহৰ মৰা বছৰৰ উল্লেখ নাই।

(৫) মোহৰত লিখা কথা খিনি সময়ে সময়ে একে জন ৰজাই সলাইছিল;

(৬) মোহৰৰ আকৃতি প্ৰতিবাৰে মোহৰ মৰাৰ সময়তেই সলনি কৰা হয়, আৰু কেতিয়াবা তাক একে বছৰতে কেইবা বাৰো সলনি কৰা হয়;

(৭) সাধাৰণতে এটা 'ড্ৰেগন' অৰ্থাৎ পাখী থকা সিংহৰ ছবি মোহৰবোৰত আছিল। স্বৰ্গদেও চুক্লেন মুঙৰ মোহৰ বিলকত উদ্দীয়মান সূৰ্য্যৰ ছবি আছিল। স্বৰ্গদেও গদাধৰ সিংহৰ কিছুমান মোহৰৰ ওপৰ পিঠিত পাখি লগা সিংহ আৰু তল পিঠিত নেজৰ ফালে ঠোট ঘূৰাই থকা এটা ম'ৰাৰ ছবি আছিল। স্বৰ্গদেও ৰুদ্ৰসিংহৰ কিছুমান মোহৰত পাখি লগা সিংহই এটা হৰিণা খেদি নিয়া ছবি আছিল।

(৮) মোহৰবিলাকত ৰজাৰ মূৰৰ প্ৰতিমূৰ্ত্তি নাছিল।

কিছুমান মোহৰৰ লিপিৰ নমুনা তলত দিয়া হল :—

১। আহোম ভাষাৰ :—

ক। ওপৰ পিঠি — (১) চাওফা (২) চুক্লেনমুন্ (৩) পিন চাও (৪) লাক্লি প্লেক্লি ; তলৰ পিঠি (১) কাও (২) ৰয়ফা (৩) তাৰ (৪) হেউচু।

খ। ওপৰ পিঠি — (১) চাওচু (২) পাটফাপি (৩) ন খুন লাক (৪) নি ৰাই চান ; তলৰ পিঠি (১) কাও বয় (২) ফা লেঙ (৩) দন হেঙ (৪) চু।

(২) সংস্কৃত ভাষাৰ :—

ক। ওপৰৰ পিঠি — শ্ৰীশ্ৰীস্ব (২) র্গ- নাৰায়ণ (৩) দেৱস্য শাকে (৪) ১৫৭০ ; তল পিঠি (১) শ্ৰীশ্ৰীহ (২) ৰি হৰ চৰ (৩) ন পৰায় (৪) নস্য।

গ। ওপৰৰ পিঠি — (১) শ্ৰীশ্ৰীমত (২) স্বৰ্গদেৱ ৰুদ্ৰ (৩) সিংহস্য শা (৪) কে ১৬১৮ ; তলৰ পিঠি — (১) শ্ৰীশ্ৰীহ (২) ৰ গৌৰী পা (৩) দমনুজ মধু (৪) কৰসা।

ঘ। ওপৰ পিঠি — (১) শ্ৰীশ্ৰীশিৱ (২) সিংহ নৃপমহি (৩) শ্ৰীপ্ৰেমথেশ (৪) ৰী দেব্যা ; তল পিঠি — (১) শ্ৰীশ্ৰীহৰ (২) গৌৰী পদপ (৩) ৰায়নাঃ (৪) শাকে ১৬৪৯।

আধলি – ওপৰ পিঠি (১) শ্ৰীশ্ৰী (২) শিৱসিং (৩) হস্য ; তল পিঠি — (১) শ্ৰীশ্ৰী (২) শিৱ পদ (৩) পৰস্য।

সিকি — ওপৰ পিঠি—শ্ৰীশ্ৰীৰা (২) জেশ্বৰ সিংহ (৩) নৃপস্য ; তল পিঠি — (১) শাকে (২) ১৬৭৪।

আদ্‌মহীয়া — ওপৰ পিঠি (১) শ্ৰীশ্ৰীল (২) ক্ষ্মী ; তল পিঠি — (১) সিংহ (২) নৃপস্য।

চৰতীয়া — ওপৰ— (১) শ্ৰী (২) গৌ তল — (১) ৰী ২ মস্য।

ডবল পইচা—ওপৰ (১) শ্ৰী (২) গৌৰী তল –(১) ৰাণা (২) অস্য।

সোণাধৰ বৰুৱা টাক শালৰ গৰাকী (Mint Master) আৰু প্ৰধান সোণাৰী আছিল। (গেইট)

অৰ্থ — চাওফা, স্বৰ্গদেৱ, চুক্লেন্‌মুঙ, চুক্লেন্‌মুঙ নাম ; পিন চাও হল ৰজা ; লাক্লি, আহোম মতে শক ; প্লেকনি, ১৪৬৬। অৰ্থাৎ ১৪৬৬ শকঁত স্বৰ্গদেৱ চুক্লেন্‌মুঙ ৰজা হ'ল।

কাও—মই, বয়—প্ৰণাম কৰো ; ফ্ৰাতাৰা--দেৱতা তাৰাক ; হেউচু—উৰ্চ্ছগা কৰোঁ অৰ্থাৎ মই প্ৰণাম কৰি দেৱতা ফ্ৰাতাৰাক উচ্ছৰ্গা কৰোঁ।

মানৰ অসম আক্ৰমণ (প্ৰথম বাৰ)

(টাই-খাম্‌তি বুৰঞ্জীৰপৰা কৰা অনুবাদৰ ওপৰত ভিত্তি কৰি লিখা) *

লিখক—শ্ৰীপদ্মেশ্বৰ গগৈ, এম-এ,
অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়।

চন্দ্ৰকান্ত সিংহ অসমৰ সিংহাসনত বহাৰ পিচৰ পৰাই ৰাজ্যৰ শাসন নীতিত কেৰোণে ধৰে। তেতিয়া পূৰ্ণানন্দ বুঢ়াগোহাঁই আছিল আহোম ৰাজ্যৰ প্ৰধান মন্ত্ৰী আৰু গুৱাহাটীৰ শাসনকৰ্ত্তা আছিল বদন চন্দ্ৰ বৰফুকন। বুঢ়াগোহাঁই আৰু বদনৰ মাজত কিছুমান কাৰণত মনান্তৰ ঘটে। শাসনৰ দণ্ড-বিধি আইন অনুসাৰে বুঢ়াগোহাঁইয়ে বদনক ধৰি আনিবলৈ মানুহ পঠিয়ায়। এই বাতৰি মৰমী জীয়েক পিজৌ আইদেউৱে বুঢ়াগোহাঁইৰ মানুহ গৈ গুৱাহাটী পোৱাৰ পূৰ্ব্বেই দেউতাক বদন বৰফুকনলৈ জনাই দেউতাকৰ জীৱন ৰক্ষা কৰে। বদনে আগতে বাতৰি পাই মাজ ৰাতি নৈয়েদি ভটিয়াই কলিকতা নগৰ পায়গৈ। কলিকতাত তেওঁ এজন মানৰ সহায়ত মানদেশ পায়গৈ। মান ৰজাৰ মঙ্‌চামেট্‌ নামৰ এজন প্ৰধান মন্ত্ৰী আছিল। বদনে মান দেশলৈ গৈ নিজৰ পৰিচয় দিয়ে আৰু মান ৰজাৰ সৈতে পূৰ্ব্ব সম্বন্ধৰ চিনাকি দি বন্ধুত্ব পাতে। বদনৰ সুন্দৰ মাত-কথা আৰু আচাৰ-ব্যৱহাৰ-

---

* উত্তৰ লক্ষীমপুৰ নাৰায়ণপুৰৰ খাম্‌তি ৰাজবংশৰ উঠি অহা শিক্ষিত ডেকা শ্ৰীমান চন্দ্ৰকান্ত গোহাঁইদেওৰ পৰা এই অনুবাদ লিখকে পাইছে।

বিলাকত মান ৰজাৰ আন আন বিষয়াবিলাকো মুগ্ধ হৈছিল আৰু সহায় দিবৰ কাৰণে মান ৰজাৰ ওচৰত তেওঁলোকে যুক্তি দেখুৱাইছিল। বদনে মান ৰজাৰ কাৰেঙতেই সম্ভ্ৰান্ত আলহী হিচাবে কিছুদিন কটায়।

প্ৰধান মন্ত্ৰী মঙ্‌চামেটক মান ৰজাই ৬০০০ সৈন্য গোটাবলৈ আদেশ দিয়ে। সেই সময়ত মান ৰজাৰ অধীনত কেইবাখনো টাই-খাম্‌তিবিলাকৰ সৰু-সুৰা ৰাজ্য আছিল। তাৰ ভিতৰত মূ'ঙ্‌য়াঙ্‌, মানমো' আৰু মূ'ঙ্‌কঙ্‌ এই তিনি খনেই প্ৰধান আছিল। মান ৰজাৰ নিৰ্দ্দেশ অনুযায়ী প্ৰধান মন্ত্ৰী মঙ্‌চামেটে এই তিনিখন ৰাজ্যৰ পৰা ৫৮৫০ জন টাই-খাম্‌তি সৈন্য সংগ্ৰহ কৰে আৰু নিজৰ লগত মান সৈন্য ১৫০ জন লৈ আহি কেন্দ্ৰস্থান মূ'ঙ্‌কঙত গোট খায়হি। মূ'ঙ্‌য়াঙ্‌ আৰু মানমো'ৰ মাজত মূ'ঙকঙ ৰাজ্যখন অৱস্থিত আৰু মূ'ঙ্‌কঙৰ পৰা দুয়োখন ৰাজ্যলৈ দূৰত্ব প্ৰায় ৭ দিনৰ বাট। মঙ্‌চামেটে যথা সময়ত বদনক লৈ মূ'ঙ্‌কঙলৈ আহি সৈন্যবিলাক পৰিদৰ্শন কৰেহি আৰু তাৰ পিচত সৈন্য বাহিনীটো বদনক গটাই দিয়ে। সেই তিনিখন ৰাজ্যৰপৰা গোটাই অনা তিনটা ফৌজৰ প্ৰত্যেক-টোৰে একোজনকৈ বীৰ সেনাপতি আহিছিল আৰু প্ৰত্যেকে নিজৰ নিজৰ ফৌজটোক ভালদৰে পৰিচালনা কৰিছিল। মূ'ঙ্‌কঙৰ পৰা বদনে তিনিজন বীৰ সেনাপতিৰে সৈতে ৬০০০ সেনা লৈ অসমৰ অভিমুখে যাত্ৰা কৰে। সাত দিন খোজ কাঢ়ি অহাৰ পিচত তেওঁবিলাকে পাট্‌কাই পৰ্ব্বতৰ নামনিত থকা চিংফৌ দেশ পায়হি। চিংফৌৰ তেতিয়াৰ ৰজা আছিল বিছানঙ্‌। তেওঁ যেতিয়া বিছানঙৰ ঘৰ পায়গৈ তেতিয়া বিছানঙে আদৰ সম্ভাষণ জনায় আৰু দহ দিনমান তেওঁৰ ঘৰত তেওঁবিলাকক আলহী হিচাবে কটাবলৈ অনুৰোধ কৰে। তেওঁবিলাকে বিছানঙৰ অনুৰোধ ৰক্ষা

ৰে আৰু এই দহ দিনৰ ভিতৰত টাই-খাম্‌তি সৈন্যবিলাকে নিজৰ নাচ-গান আৰু ভাওনা আদি দেখুৱাই বিছানঙৰ অশেষ প্ৰশংসা লাভ কৰে। লগে লগে বিছানঙে তিনিওজন সৈন্যাধ্যক্ষ আৰু বদনৰ লগত বন্ধুত্ব স্থাপন কৰে। দহ দিনৰ শেষত সসৈন্যে তেওঁবিলাকে পুনৰ অসমৰ অভিমুখে যাত্ৰা কৰে। বিছানঙে যথেষ্ট খাদ্য-পাতি দি তেওঁবিলাকক সহায় কৰে। বিছানঙৰ ৰাজ্যৰ সীমাৰপৰাই অসমলৈ অহা বাট অতি দুৰ্গম। আজিৰ দিনৰ দৰে বাট-পথৰ সুবিধা নাছিল। তেওঁবিলাকে হাবি-বন ভাঙি, নৈ পৰ্ব্বত আদি অতিক্ৰম কৰি, বহুত কষ্টৰ মাজেদিহে আহিব লগাত পৰিছিল। সৈন্যবিলাকে বিছানঙৰ ৰাজ্যৰ সীমা এৰি অহাৰ পিচৰপৰাই সুউচ্চ পৰ্ব্বত, বেগৱতী পৰ্ব্বতীয়া নৈ, প্ৰকাণ্ড প্ৰকাণ্ড শিল আদিৰ ওপৰেদি জীৱনৰ মমতা এৰি আহিব লগা হোৱাত অনেক কষ্ট পাইছিল। বাটত বহুত সৈন্যৰে ভৰিৰ বিষ, ভৰি উখহা, জ্বৰ আদি হৈ অসমৰ অভিমুখে আগুৱাবলৈ অসমৰ্থ বোধ কৰিছিল। এনে কষ্টৰ মাজেদি সকলোৱে "নাম্‌টাৱা" (এখন পৰ্ব্বতীয়া নৈৰ নাম) পায়হি। "নাম্‌টাৱাৰ"পৰা অসমলৈ বাট আৰু দুৰ্গম। পৰ্ব্বতবিলাক অতি ঠিয়, বাটত প্ৰকাণ্ড প্ৰকাণ্ড শিল আৰু অতি বেগৱতী পৰ্ব্বতীয়া নৈবিলাকৰ ওপৰেদি অস্থায়ী ব্যৱস্থা কৰি আহিব লগা হোৱাত সৈন্য কিছুমানৰ মনৰ গতি হ্ৰাস হৈ গৈছিল। তথাপিতো আদেশ নীৰৱে পালন কৰি অসমৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিদিনে সৈন্যবিলাকে আগুৱাবলৈ ধৰে।

এনেদৰে আহি "নাম্‌টাকা" পায়হি। তাৰপৰা আগুৱাই "নাম্ যুঙ্" পায়হি। "নাম্ যুঙ্" আহি পোৱাৰ লগে লগে সৈন্যবিলাকৰ শাৰীৰিক অৱস্থা বৰ শোচনীয়া হয় আৰু পুনৰ আগুৱাবলৈ অসমৰ্থ হয়। গতিকে নাম্‌যুঙত তেওঁবিলাকে অস্থায়ী ভাবে বাহৰ পাতে। ছহেজাৰ সৈন্যৰ ভিতৰত বলী, কষ্টসহিষ্ণু

১৫০০ সৈন্য বাছি বাছি নাম্‌য়ুঙৰ পৰা আগুৱাবলৈ পঠায়। সেই সৈন্য বিলাক আহি পাট্‌কাই পৰ্ব্বত পাৰ হৈ "নামলুক্‌লাই" পায়হি আৰু তাত বাহৰ পাতে। পিছত থাকি অহা সৈন্য-বিলাকৰ সৈতে বদন আৰু লগৰ তিনিও জন সেনাপতিয়ে আহি তাতে লগ ধৰেহি। সেই বাহৰ এৰি "নাম্‌লুক্‌লাই" পাৰ হৈ আহি "নাম্‌টুকুম্‌" পায়হি আৰু তাৰ তিন দিনৰ পিচতেই অসমৰ উত্তৰ-পূৰ সীমান্তত অৱস্থিত দিহিং নৈ পায়হি। বিছানঙৰ ঘৰৰ-পৰা অসমৰ সীমাত ভৰি দিয়ালৈকে মুঠতে লাগিছিল ১২ দিন আৰু মুঙ্‌কঙৰপৰা বিছানঙৰ ঘৰলৈকে ৭ দিন—মুঠতে ১৯ দিনত মান দেশৰ পৰা সেনাদল অসম পায়হি বিছানঙৰ ঘৰত থকা ১০ দিন আৰু বাটত ১৯ দিন, তাৰ উপৰি বাটত ঠায়ে ঠায়ে বাহৰ পাতি অহাৰ কাৰণে প্ৰায় ৩৯ দিন লাগিছিল। টাই-খাম্‌তিবিলাকে অসমক 'অসম' নুবুলি "ৰৈছালি" বুলিহে কৈছিল। ৰৈছালি আহি পোৱাৰ লগে লগে দিহিং নৈৰ পাৰত তেওঁবিলাকে বাহৰ পাতে। দিহিঙৰ বাহৰৰপৰা ৬০ জন বীৰ সৈন্য আৰু এজন সৈন্যাধ্যক্ষই ঠাইবিলাক চাই-চিতি লবৰ কাৰণে আৰু যুদ্ধৰ আয়োজন কৰিবলৈ আহি নগাঘাট (বৰ্ত্তমানৰ জয়পুৰৰ ওচৰত) পায়হি। যথা সময়ত বুঢ়াগোহাঁইকো এই ভীষণ বাতৰি দিয়াবলৈ তেওঁলোকে মনস্থ কৰে। বদনৰ পক্ষৰপৰা বাতৰি গৈ পোৱাৰ পূৰ্ব্বেই বুঢ়াগোহাঁইয়ে দুজন চোৰাংচোৰা জয়পুৰলৈ পঠায় আৰু ৰাজ্যত কোন সোমাইছেহি এই বাতৰি অতি শীঘ্ৰে জনাবলৈ চোৰাংচোৰাক আদেশ দিয়ে। টাই সৈন্যবিলাকে দুয়োকো বুঢ়াগোহাঁইৰ চোৰাংচোৰা বুলি জানিব পাৰি বন্দী কৰে আৰু অনেক ধন-সোন, হাতী-ঘোঁৰাৰ প্ৰলোভন দেখুৱাই যোৰহাট নগৰলৈ যোৱা বাট দেখুৱাই দিবলৈ স্বীকৃতি কৰায়। বদনে তেতিয়া দুজন সেনাপতি আৰু ৫০৪০ জন সৈন্যেৰে সৈতে দিহিং

নৈৰ কাষৰ বাহৰতে আছিল। এনে সময়তে বুঢ়াগোহাঁইয়ে তাকৰীয়া ফৌজ এটিৰে সেই ঠাইলৈ তেওঁৰ এজন সেনাপতিক কিছুমান সু পৰামৰ্শ দি পঠিয়াই দিয়ে। সেনাপতিৰ প্ৰতি বুঢ়াগোহাঁইৰ সু পৰামৰ্শ আৰু আদেশত আছিল :—

প্ৰথমে ৰাজ্যত সোমোৱা সৈন্যবিলাক কোন, কৰপৰা কিয় আহিছে তাক জানি লোৱা; বুঢ়াগোহাঁইৰ সন্দেহ—কি জানি এই সৈন্যবিলাক মান বা টাই-খাম্তি সৈন্য, নতুবা মটক-মৰাণ, কি জানিবা উত্তৰ-পূৱ সীমান্তত বাসকৰা নগা আদি পৰ্ব্বতীয়া জাতিৰ মানুহ। দ্বিতীয়তে তেওঁৰ কথা হল যদিহে বদনে মান ৰজাৰ সহায়ত সৈন্য লৈ দেশ সোমাইছেহি তেন্তে যুদ্ধৰ পৰিবৰ্ত্তে বদনক অভিনন্দন জনাই সেনাপতিক সসৈন্যে ৰাজধানীলৈ ঘূৰি যাবলৈ কোৱা, আৰু যদিহে বদন নহয় বা মান বা টাই-খাম্তি সৈন্যও নহয়, মটক-মৰাণ আদিয়েহে পুনৰ উপদ্ৰৱ কৰিবলৈ অভিযান চলাইছে, তেন্তে তুৰন্তেই সেনাপতিয়ে উপদ্ৰৱকাৰী দলক আক্ৰমণ কৰি ঘূৰি যাবলৈ বাধ্য কৰিব।

দিহিঙত বাহৰ পাতি থকা সৈন্যবিলাকৰ সৈতে বদন আহি জয়পুৰ পায়হি। বদনক বুঢ়াগোঁহাইৰ চোৰাংচোৱাই দেখা পোৱা নাছিল; কাৰণ, মান আৰু টাই-খাম্তি সৈন্যবিলাকে বদনক অতি সন্মানেৰে দোলাৰ ওপৰত তুলি কাপোৰেৰে ঢাকি আনিছিল আৰু বাহৰতো যাতে চোৰাংচোৱাই দেখা নেপায় তাৰ দিহা কৰি থৈছিল। বুঢ়াগোহাঁইয়ে পঠোৱা ফৌজটোৱে দুজন বৃটিছ সৈন্যকো মানদেশৰপৰা অহা সৈন্যবিলাকে দেখা পোৱা বুলি উল্লেখ কৰিছে। জয়পুৰত টাই-খাম্তি সৈন্যবিলাকে এটা গড় মাৰে। জয়পুৰলৈ আহি বাহৰ পতাৰ পিচত বদনে বুঢ়াগোহাঁইলৈ এখন চিঠি লিখে। যুদ্ধৰ আয়োজন কৰিবৰ কাৰণে চিঠিখনত লিখা হৈছিল। চিঠিখন ৰাজধানীত বুঢ়াগোহাঁইয়ে

পাই পঢ়ি চাই সকলো কথা বিতং ভাৱে জানিলে পুৰি চাই কৰে। এই চিঠিৰ বিষয়ে ৰজা চন্দ্ৰকান্তই একো ভু পোৱা নাছিল। বদনৰ নাম উল্লেখ নকৰি বুঢ়াগোহাঁই ডাঙৰীয়াই ৰজাক মাত্র কলে যে মটক-মৰাণৰ বিপক্ষে যুদ্ধ পুনৰ আয়োজন কৰা হৈছে। বদনৰ চিঠিখন ধ্বংস কৰাৰ মন্ত্ৰণাত অন্যান্য বিষয়া-সকলো যোগ আছিল বুলি জানিব পাৰি। চিঠিখনত বদনে ৰজাক একো ভয় নকৰিবলৈ আশ্বাস দি লিখি পঠাইছিল। আন হাতে তলে তলে বুঢ়াগোহাঁইয়ে সৈন্য গোটাই টাই-খামতি সৈন্যবিলাকক জয়পুৰতেই আগ ভেটি ধৰিবলৈ যো-জা কৰে।

নগাঘাটৰ (জয়পুৰত) ওচৰত বৰহাট (সাপেখাতিৰ ওচৰত) নামৰ ঠাইত যুদ্ধ আৰম্ভ হয়। সেই দিনা চ'তৰ ১২ দিন। আহোম সৈন্যই যুদ্ধত বৰতোপ, হিলৈ, বন্দুক, ঢাল-তৰোৱাল আদি ব্যৱহাৰ কৰিছিল। টাই-খামতি সৈন্যবিলাকে প্ৰথম অৱস্থাত বৰতোপ, হিলৈ আদিৰ গুলিৰ প্ৰকোপত তিষ্ঠিবলৈকে টান পাই-ছিল। কিন্তু সময় আগুৱাই যোৱাৰ লগে লগে আহোমৰ যুদ্ধাবীৰ-সকলৰ ৰণাঙ্গনত মৃত্যু ঘটে আৰু বল-শক্তি হ্ৰাস হৈ আহে। আহোমসকলে যুদ্ধত ব্যৱহাৰ কৰা বৰতোপ, হিলৈ আদি ৫ হাতৰ পৰা ৬॥ হাতলৈ দীঘল আছিল। সেই দিনাৰ সন্ধ্যা বেলাত আহোম সৈন্যই তিষ্ঠিব নোৱাৰি পলাই পত্ৰং দিয়ে। এই বজ্ৰ বাতৰি পাই ৰাজধানীত অপমানিত হৈ বুঢ়াগোহাঁইৰ অস্বাভাৱিক মৃত্যু ঘটে। তেওঁৰ পুতেকহঁত আৰু মন্ত্ৰী-বিষয়া আদি তেতিয়াই নৈয়েদি ভটিয়াই পলায় যায়। ১৩ চ'তৰ দিনা আহোমে বদনৰ ওচৰত পৰাজয় স্বীকাৰ কৰে। ১৪ চ'তৰ দিনা তিনিওজন বীৰ সেনাপতিয়ে সৈন্যবিলাকৰ সৈতে লগ হৈ বদনক আহোম ৰাজ্যৰ প্ৰধান মন্ত্ৰী পাতে আৰু শিৱ-সাগৰলৈ বাহৰ পাতিবৰ কাৰণে ৰাজধানীৰ পৰা আঁতৰি যায়। প্ৰজাৰ প্ৰতি যাতে সৈন্যবিলাকে অন্যায়-অত্যাচাৰ নকৰে তাৰ বাবে

বদনে যুদ্ধৰ পূৰ্ব্বেই তিনিও সেনাপতিক কাণ চোৱাই থৈছিল। মাত্র বুঢ়াগোহাঁই ফৈদৰ প্ৰতি হে প্ৰতিহিংসাৰ পোতক তুলিবলৈ আদেশ দিছিল। সৈন্যবিলাকে বদনৰ আদেশ শিৰোধাৰ্য্য কৰি লৈছিল যদিও ঠায়ে ঠায়ে কিছু অন্যায় অত্যাচাৰ কৰিছিল। তাৰ ভয়তেই প্ৰজাবিলাকে ঘৰ-ত্নৱাৰ এৰি পলাই আত্মৰক্ষা কৰিছিল। গোটেই নগৰখনত প্ৰজাবিলাক নোহোৱাত তেনেই নিৰ্জান নিস্তব্ধ হৈ পৰিছিল। এই অৱস্থা কেৱল ৰাজধানীতেই ঘটা নাছিল, গোটেই ৰাজ্যৰ ঠায়ে ঠায়ে গাওঁবিলাকতো ঘটিছিল। যুদ্ধৰ সময়ত নৈয়েদি ভটিয়াই বুঢ়াগোহাঁইৰ পুতেকৰ সৈতে পলাই যোৱা লোক সংখ্যা প্ৰায় ২০০০ (ত্নহেজাৰ)।

শিৱসাগৰত টাই-খামতি সৈন্যবিলাকে অস্থায়ীভাৱে বাহৰ পাতি থাকে। সৈন্যবিলাকে নানা আমোদজনক খেল-ধেমালীৰে দিনবিলাক কটাই দিয়ে। বুৰঞ্জীৰ মতে এই সৈন্যবিলাকে কিছু যাত্ন-মন্ত্ৰৰ বিদ্যাও জানিছিল। এওঁবিলাকে নানা ধৰণৰ মেজিক, খেল-ধেমালী নাচ-গান, ভাওনা আদি দেখুৱাই ওচৰে-পাজৰে থকা অসমীয়া মানুহ-বিলাকৰ প্ৰীতিকৰ হৈ উঠিছিল আৰু সহায় সহানুভূতি পাইছিল। পূৰ্ব্বতে মান দেশৰপৰা সৈন্যবিলাক লৈ অহিবৰ সময়ত মান ৰজাই বদনক সোনকালেই সৈন্যবিলাকক ঘূৰাই পঠাবলৈ কৈ পঠিয়াইছিল। সৈন্যবিলাকেও যুদ্ধ জয়ৰ পিছত নিজ দেশলৈ ঘূৰি যবলৈ ইচ্ছা কৰে। বদনে 'মান্ মো'ৰ পৰা অহা টাই-খামতিৰ ফৌজটোক কিছুদিনলৈ ৰাখি বাকী ত্নটা ফৌজক খাদ্য-পাতি দি ঘূৰাই পঠায়। 'মান্ মো'ৰ ফৌজটোক ৰখাৰ সূত্ৰতে বদনে সেনাপতিজনক এগৰাকী আহোম কুৱঁৰী দি সুখী কৰায়। এই কথাত বাকী ত্নজন সেনাপতিয়ে মনত অসন্তুষ্ট আৰু অপমান বোধ কৰে। গতিকেই নিজ দেশলৈ ঘূৰি যোৱাৰ আগ মূহুৰ্ত্তত নিজৰ নিজৰ সৈন্যবিলাকক অসমীয়াৰ ওপৰত অত্যাচাৰ কৰিবলৈ লগাই দিয়ে। সৈন্যবিলাকে

সেই মতে অত্যাচাৰ কৰি বহুত অসমীয়া পুৰুষ-তিৰোতাক ধৰি লগতে লৈ যায়। দুয়ো সেনাপতিয়ে নিজৰ নিজৰ সৈন্য আৰু লগত ধৰি নিয়া অসমীয়া মানুহবিলাকক লৈ ২৬ বহাগৰ দিনা দিহিঙৰ পাৰত বাহৰ পাতে গৈ। প্ৰজাৰ ওপৰত অত্যাচাৰ কৰা আৰু বহুতক ধৰি নিয়া বুলি জানিব পাৰি বদনে 'মান্ মো'ৰ সেনাপতি জনৰ লগত জৰুৰী ভাবে আলোচনা চলায়। ৰাজ্যত অশান্তিৰ সৃষ্টি হৈছিল গতিকে বদনে যি কোনো প্ৰকাৰে ধৰি নিয়া পুৰুষ-তিৰোতাবিলাকক দিহিং নৈৰ পাৰৰ বাহৰটোৰ পৰাই ঘূৰাই আনিবলৈ 'মান্ মো'ৰ সেনাপতি জনক টানি অনুৰোধ কৰে। বদনৰ কথা মতে ২৮ বহাগৰ দিনা 'মান্ মো'ৰ সেনাপতিজনে নিজৰ দেশৰ অভিমুখে যাত্ৰা কৰা সেনাপতি দুজনৰ পিচ লয় আৰু দিহিং নৈৰ পাৰত তেওঁলোকক লগ পায়গৈ। কিন্তু বদনে তেওঁক আহোম কুৱঁৰী দিয়া সূত্ৰত বাকী দুয়োজন সেনাপতিয়ে মনত অসন্তুষ্ট হৈ শত্ৰুতা পোষণ কৰিছে বুলি তেওঁ জানিব পাৰি বাহৰৰ সীমাত ভৰি দিয়াগৈ নাছিল, বাহৰৰ বাহিৰত থাকি কটকী পঠিয়াই বদনৰ কথা মতে অসমীয়া মানুহবিলাকক ঘূৰাই দিবলৈ কোৱাইছিল। কিন্তু কথাৰ একো গুণ নধৰিলে। মনত ভয় পাই তেওঁ পুনৰ বদনৰ ওচৰলৈ ঘূৰি যায়গৈ। বদনৰ উদ্দেশ্য আছিল বুঢ়াগোহাঁইৰ সপৰিয়াল ধ্বংস কৰি নিজে প্ৰধান মন্ত্ৰী হোৱা। ৰাজ্যত প্ৰজাৰ ওপৰত অত্যাচাৰ কৰি দেশ শূন্য কৰিলে তেওঁ প্ৰধান মন্ত্ৰী হোৱাৰ কোনো মূল্য নাই যে তাক তেওঁ বুজিছিল। গতিকেই যুদ্ধৰ সময়তো যাতে প্ৰজাৰ ওপৰত অত্যাচাৰ বা অন্যায় কৰা নহয় তাৰ বাবে তেওঁ চকু ৰাখিছিল। নিজ দেশলৈ ঘূৰি যোৱাৰ আগ মুহূৰ্ত্তত মান দেশৰ সেনাপতি দুজনে অসমীয়াৰ ওপৰত অত্যাচাৰ কৰাই মানুহ ধৰি লৈ যোৱাত বদনে মৰ্ম্মান্তিক বেজাৰ পাইছিল। মনত আশঙ্কাৰ ভাৱ লৈ ২৮ বহাগৰ দিনা 'মান্ মো'ৰ সেনাপতি জনেও নিজ দেশলৈ

বুলি নিজৰ ফৌজটো লৈ ঘূৰি যায়গৈ। তেওঁ ঘূৰি যাওঁতে অহা বাটেদিয়েই যায়। ধৰি নিয়া অসমীয়া পুৰুষ-তিৰোতা সকলোৱেই বাটত অসীম কষ্ট পাই গৈছিল আৰু প্ৰত্যেকেই বাটত পলাই সাৰিবলৈ যত্ন কৰিছিল। কিছুমানে চল চাই বাটতে পলাই ওচৰে-পাজৰে বাস কৰা পৰ্ব্বতীয়া মানুহবিলাকৰ লগত বাস কৰেগৈ। এইদৰে প্ৰথম ছুটা ফৌজে গৈ গৈ বিছানঙৰ ঘৰ পাইগৈ। পূৰ্ব্বৰ বন্ধুতা মনে জানি আৰু যুদ্ধ জয়ৰ সুসংবাদ পাই তেওঁলোকক অভিনন্দন জনাই বিছানঙে পুনৰ তেওঁৰ ঘৰত কেইদিনমান থাকিবৰ কাৰণে অনুৰোধ কৰে। অসমৰ পৰা ধৰি নিয়া মানুহবিলাকে সুযোগ পাই এই সময়তে পলাই বিছানঙৰ ৰাজ্যত চিংফৌবিলাকৰ দাস হিচাবে থাকেগৈ। এই সময়ৰ ভিতৰতে 'মান্ মো'ৰ সেনা-পতি জনে তেওঁবিলাকক বিছানঙৰ ঘৰতে লগ পায়গৈ। কিন্তু পূৰ্ব্ব শত্ৰুতা মনে জানি তেওঁবিলাকক লগ নধৰি আগুৰাই যায় গৈ। ছয়ো সেনাপতিয়ে কেইদিনমান থাকি বিছাঙৰপৰা খাদ্য-পাতি যি হয় লৈ পুনৰ নিজৰ দেশলৈ ৰাওনা কৰি যায়গৈ।

তিনিও সেনাপতি অসমৰ পৰা নিজ দেশলৈ উভটি যাওঁতে বাটত ১ মাহ ১৫ দিন লাগিছিল। বিছানঙৰ ৰাজ্যত পলাই দাস বা বন্দুৱা হৈ থকা মানুহবিলাকেই সময়ত নিজ দেশলৈ উভতি আহি মাৰ্ঘেৰিটা অঞ্চলত দিহিং নৈৰ পাৰে পাৰে গাওঁ পাতেহি। এই মানুহবিলাকক 'দুৰনীয়া' বুলি জনা যায়। কিন্তু প্ৰকৃততে 'ধৰি নিয়া' হে হব লাগিছিল। সময়ৰ গতিত 'ধৰিনিয়া'ৰপৰা 'দুৰনীয়া' লৈ শব্দটো ৰূপান্তৰিত হয়।

বদনে 'মান্ মো'ৰ সেনাপতিজনক যুদ্ধ জয়ৰ পিচতো অসমত ৰাখিবলৈ ইচ্ছা কৰিছিল। তাৰ কাৰণ হৈছে বদনে ভালদৰে জানি-ছিল যে নৈয়েদি ভটিয়াই পলাই যোৱা বুঢ়াগোহাঁইৰ পুতেক পূৰ্ব্ব

শত্রুতাৰ হোৰ তুলিবলৈ এদিন নিশ্চয় ওলাবহি। তাৰ প্ৰতিৰোধ কৰিবৰ কাৰণেই আন কি এগৰাকী আহোম কুৱঁৰী উপহাৰ দি সন্তুষিত কৰি ৰাখিবলৈকো কুণ্ঠিত নহৈছিল।

টোকা :—প্ৰথম বৰ্ম্মা বা মানৰ অসম আক্ৰমণৰ কালত বৰ্ম্মা দেশত আলোমফ্ৰা বংশৰ ৬ষ্ঠ ৰজা বড'ফ্যাই ৰাজত্ব কৰিছিল। তেওঁ ইং ১৭৮১ ৰ পৰা ১৮১৯ লৈকে ৰাজত্ব কৰে আৰু ১৭৮৩ চনত আভাৰ উজনিত ইৰাৱতী নৈৰ পূব পাৰে অমৰাপুৰত ৰাজধানী পাতে। বৃটিছসকলে লিখা বিৱৰণমতে বদন বৰফুকনৰ অনুৰোধ-ক্ৰমে বৰ্ম্মা ৰজাই ১৮১৬ খৃষ্টাব্দত প্ৰায় ৮ হেজাৰ সৈন্যৰ বাহিনী এটা অসমলৈ স্বৰ্গদেও চন্দ্ৰকান্ত সিংহৰ সাহায্যৰ অৰ্থে পঠিয়াই দিয়ে। সংখ্যাত এই বাহিনীটো টাই-খাম্‌তি বুৰঞ্জীৰ সংখ্যাৰ সৈতে নিমিলিলেও সি বৃহৎ পাৰ্থক্যত অমিল নহয়; অৱশ্যে অভিযানৰ পথত মু'ঙ্‌কঙ্‌, হুকঙ্‌ আৰু মণিপুৰৰ সৈন্য যোগ হৈ বাহিনীটো প্ৰায় ১৬০০০ লৈ বৃদ্ধি পাইছিল বুলি বৃটিছসকলে লিখিছে।

কিন্তু বৰ্ম্মাৰ অধীনস্থ ৰাম্‌ৰী ৰাজ্যৰ ৰজাৰপৰা ভাৰতৰ বৃটিছ গভৰ্ণৰ-জেনেৰেলে ইং ১৮১৮ চনৰ ৮ জুন তাৰিখে পোৱা পত্ৰমতে বৰ্ম্মাৰ ৰজাই ভামো বা মান্‌মো', মোগঙ্‌ আৰু মুঙ্‌য়াঙ্‌ এই তিনি ৰাজ্যৰ ম্যু-উন্‌ বা গভৰ্ণৰসকলক পদাতিক, গজাৰোহী আৰু অশ্বাৰোহী সেনা দি প্ৰকৃত উত্তৰাধিকাৰী চন্দ্ৰকান্ত সিংহক সিংহাসনত স্থাপন কৰিবলৈ অসমলৈ পঠিয়াইছিল। এই পত্ৰৰ পৰা টাই-খাম্‌তি বুৰঞ্জীৰ বিৱৰণৰ সত্যতা প্ৰমাণিত হয়।

যদিও তামুলি ফুকনৰ বুৰঞ্জীমতে "তুঙ্গখঙ্গিয়া ফৈদৰে বগা কোৱঁৰৰ জিত্ৰকক আনি, জি বুলি সালঙ্কি্ৰ তাকৈ দোলা, আৰোআন লা-লিগিৰি হাতি ঘোৰা আদি দ্ৰব্যেৰে মান ৰজালৈ দিলে", টাই-খাম্‌তিৰ বুৰঞ্জীত নতুন সম্ভেদ পোৱা গল যে সেই গৰাকী

কন্যা ভামো বা 'মান্‌মো'ৰ সেনাপতিক হে দিয়া হৈছিল আৰু সেই বাবেহে নিশ্চয় তেওঁৰ লগত ভামোৰ নামটোৰ ঐতিহাসিক সম্বন্ধ। তাত বাজে বৰ্ম্মা ৰজালৈ বেলেগে এগৰাকী ৰাজকুৱঁৰী প্ৰদান কৰাৰ কথা বুৰঞ্জীত পোৱা নেযায়। যি অৱস্থাত চন্দ্ৰকান্ত সিংহই কন্যা দিব লগীয়া হৈছিল সেই অৱস্থাত নিজৰ জী বুলি আন কন্যা এনেদৰে প্ৰবল প্ৰতাপী বৰ্ম্মা ৰজালৈ দিবলৈ সাহ কৰিব বুলি আশা কৰা টান। —লিখক।

৺নন্দনাথ দেওধাই ফুকন

লিখক—শ্ৰীবিমলাকান্ত বৰুৱা

ইং ১৮৯৪ চনত শিৱসাগৰৰ খালৈঘোগোৰা মৌজাৰ এলেকাত থকা আখৈয়া দেওধাই গাওঁ নিবাসী পঞ্চৰাম ফুকনৰ ঘৰত এখন ৩০০ পৃষ্ঠাৰ ওপৰৰ সাঁচিপতীয়া আহোম ভাষাত লিখা বুৰঞ্জী পোৱা গৈছিল। সেই বুৰঞ্জীখন ভূতপুৰ্ব্ব অসমৰ বুৰঞ্জী লিখক চাৰ এডোৱাৰ্ড গেইট আৰু ডিৰেক্টৰ পাবলিক ইঞ্চট্ৰাকচন্ জে আৰ কানিংহাম চাহাবৰ উদ্যোগত ইংৰাজীলৈ অনুবাদ কৰাই ১৯৩০ চনত ছাপা কৰি প্ৰকাশ কৰা হয়। সেই বুৰঞ্জীখন তৰ্জ্জমা কৰিবৰ কাৰণে অসম চৰকাৰে ৰায়ছাহাব গোপাল চন্দ্ৰ বৰুৱাক নিযুক্ত কৰে আৰু তেখেতক সেই কামত সহায় কৰিবলৈ লগত ৫ জন দেওধাই পণ্ডিত দিয়ে। দুৰ্ভাগ্যবশতঃ তেখেতসকলৰ নাম প্ৰকাশিত বুৰঞ্জীখনত দিয়া নহল। সেইসকল পণ্ডিত হৈছে ঃ—

১। মলাইঘৰীয়া বৰুৱা, আখৈয়াগাও, শিৱসাগৰ
২। পঞ্চৰাম ফুকন ,, ,,
৩। লেপেশ্বৰ বৰুৱা, হাতিবৰুৱা গাওঁ ,,
৪। বঙ্গালীমহৰি দেওধাই ফুকন, জজলি গাও ,,
৫। গদাই বানতুঙ্গীয়াবৰুৱা, ঘোগোৰামুখ ,,

আহোম ৰাজত্বৰ কালত সকলো আহোম পুৰুহিতেই—দেওধাই, বাইলুং আৰু মহন, এই তিনিয়েই আহোম ভাষাত বিশেষকৈ পাৰ্গত আছিল। এওঁলোকৰ ওপৰত বিষয়া আছিল ছিৰিং ফুকন, যিজন ৰাজকৰ্ম্মচাৰী সকলো পুথি-পাজি আৰু তামৰ ফলি

আদিৰ তদাৰক কৰোঁতা আছিল। কালক্ৰমত আহোম ৰাজত্বৰ শেষ-ছোৱাত যেতিয়াৰপৰা অসমীয়া ভাষাত বুৰঞ্জী আৰু চিঠি পত্ৰ লিখা আৰম্ভ হল তেতিয়াৰপৰা আহোম ভাষা চৰ্চ্চা কৰা পণ্ডিত-সকলৰ সংখ্যা কমি আহিবলৈ ধৰিলে, কালক্ৰমত তেনে পণ্ডিত লোপ পালে। ওপৰত উল্লেখ কৰা পাচজন পণ্ডিতৰ সতি-সন্ততি-সকলৰ ভিতৰত পঞ্চৰাম ফুকনৰ বৰ পুতেক নন্দনাথ ফুকনেই একমাত্ৰ সুবিজ্ঞ আহোম পণ্ডিত। তেখেতে অতি যত্নেৰে সেই বিদ্যা শিকি অনেকক দান কৰি গৈছে। তেখেত ১৮৮১ চনত জন্মে আৰু তেখেতৰ ১৯৪৭ চনত মৃত্যু হয়।

১৯৩১ চনত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে সঙ্কলন কৰা আহোম পুথি আদি অনুবাদ কৰিবৰ কাৰণে তেখেতক অস্থায়ী ভাবে নিযুক্ত কৰে। তেখেতে ছমাহৰ ভিতৰতে কেবাখনো বহু-মূলীয়া পুথি অনুবাদ কৰে। যেনে—লাইটু বা ৮০ পতীয়া ৰাজবুৰঞ্জী। ইয়াত স্বৰ্গদেউ ছুহুংমুং ডিহিঙ্গীয়া ৰজাৰপৰা লক্ষীসিংহলৈকে পোৱা যায়, আৰু কোঁচ সেনাপতি চিলাৰায় আৰু মোৱামৰীয়া বিদ্ৰোহৰ কথাও পোৱা যায়। লাইলিং বুৰঞ্জী,—ইয়াত ইংৰাজৰ শাসনৰ প্ৰথমছোৱাৰ কেইটামান ঘটনা পোৱা যায়, যেনে, মনিৰাম দেৱান, পিয়লীফুকন আদিৰ। বৰ-অম্ৰ আৰু লতী-অম্ৰ আহোম অভিধান (যাৰ বিষয়ে স্থানান্তৰত বহলাই কোৱা হৈছে) এই দুইখন অভিধান ফুকনৰ যত্নতেই অসমীয়ালৈ নকল কৰা হৈছিল, আৰু ইয়াত নোহোৱা অনেক ফুকনে জনা শব্দ অন্তৰ্ভুক্ত কৰা হৈছে। তেখেতে আহোম বেদ ফুৰালুং পুথিৰ নকল ৰাখি তাৰ আভাস দি গৈছে আৰু ৺গৌৰীনাথ সিংহই সন্দিকৈ ৰবৰুৱাক মাটিদান দি দ'ল নিৰ্ম্মান কৰাই দিওঁতে দিয়া তামৰ ফলিৰ আহোম ভাষাৰ অনুবাদ কৰি গৈছে আৰু লিটুফা বিধি পুথিৰ নকল দি থৈ গৈছে।

ফুকনৰ দূৰদৰ্শিতাৰ বিষয়ে কলে আমি তেখেতৰ শলাগ লব লাগিব। তেখেতে অনেক আহোম পুথি বুৰঞ্জী আৰু পুৰাতত্ব বিভাগক দান দি গৈছে, যাক বৰ্ত্তমান সহজে আন ঠাইত পোৱা নেযায়। সেইবিলাক পুথিৰ ভিতৰত লিং বুৰঞ্জী, দৈলাই, চৰাই-দেউৰ ৰৰবিধি, ৰবৰুৰঞ্জী আৰু কেন্ছাই বিশেষ লেখত লবলগীয়া। ফুকনে দান দিয়া পুথিবিলাক তেখেতৰ পুলিন-পুথাও, ধ্বজ, পজ আৰু পঙ্কজ এই তিনি আৰু তেওঁলোকৰ পো-নাতি ক্ৰমে লিখিত বুলি প্ৰমাণিত। এই পুথিবিলাক অকল এক পৰিয়ালৰ সম্পত্তি নহয়, সমগ্ৰ অসমৰেই। সেই গতিকে আহোম ৰাজত্বৰ কালত এই পুথিবিলাক ইমান যত্নেৰে ৰাখিছিল যে তাৰ কিছুমান লিখিত উপদেশ আছিল ঃ—"ফ্ৰেউজন্ জা হেউৰাই, জা ঙাম্ বাই লাই মা'ই বউ দি বউ ঙাম্ নুক্ বউ চা" অৰ্থাৎ এই পুথি কোনোৱে নেহেৰুৱাব, কোনোৱে চাব খুজিলে লুকুৱাই নথব আৰু হেৰুৱালে বা লুকুৱালে অমঙ্গল হব। লাইটু বুৰঞ্জীৰ এঠাইত পোৱা যায়, "এই পুথি যি মোহিব তাৰ বংশ নিৰ্ম্মূল কৰা হব"। কিন্তু দুখৰ বিষয় বৰ্ত্তমান অনেকেই পুথি ভালকৈ ৰাখিব নোৱাৰি ইচ্ছাকৃত ভাবে লোপ পোৱাইছে। আজি দুবছৰৰ ভিতৰতে দুঘৰ পণ্ডিতৰ ঘৰত দু পাছি পুৰণি পুথি নষ্ট কৰি পেলাই দিছে।

১৯৩৪ চনৰ ২৯ আগষ্টত যোৰহাটত আহোম ভাষা আৰু বুৰঞ্জী অনুসন্ধান সমিতি এখন পতা হয়। তাৰ প্ৰেছিডেন্ট আছিল লিখকৰ পিতৃদেৱ স্বৰ্গীয় ঘনকান্ত বৰুৱা আৰু চেক্ৰেটৰী শ্ৰীযুত পদ্মেশ্বৰ গগৈ। প্ৰথমতে আহোম ভাষা শিকাবৰ কাৰণে ফুকনক তালৈ নিয়া হয়। সুখৰ বিষয় যে তেখেতৰপৰা ভাষা আদি শিকিয়েই স্বৰ্গীয় পিতৃদেৱে "আহোম প্ৰাইমাৰ" ৰচনা কৰিবলৈ সমৰ্থ হয়।

ফুকনৰ স্মৰণ শক্তি অসাধাৰণ আছিল। তেখেত অকল আহোম পণ্ডিতেই নাছিল, হিন্দু ধৰ্ম্মৰ বেদ, ৰামায়ণ, মহাভাৰত, পুৰাণ

আদিৰ কথাও জিহ্বাৰ আগত ৰাখিছিল। ফুকনে কেতিয়াও নিজস্ব এৰা নাছিল। তেখেতৰ সাজ-পোষাক আছিল ঘৰত বোৱা মুগাৰ চাপ্‌কন্, ৰৰচুৰিয়া আৰু মুৰত পাগুৰি। দেখিলে ভক্তি ওপজে। বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ পৰিদৰ্শন কৰিবলৈ অহা গবৰ্ণৰ চাহাব আদিক খাম্ কৰি আহোম মন্ত্ৰেৰে আশীৰ্ব্বাদ দিওতে চাহাবে থৰ লাগি ফুকনৰ ভৰিৰপৰা মুৰলৈকে চোৱাৰ কথা বোধহয় অনেকৰ মনত আছে। তেখেতৰ মাহিলি বেতন আছিল ৩০৲ টকা। বেতন পোৱাৰ দিনা তেখেতে অফিছত কাম কৰা লোকক ৫৲ টকা চাহ খাবলৈ দি কয় "বোপাহঁত! এই কেইটা পইছাৰে তোমালোকে চাহ খোৱা', ঈশ্বৰে মোক ঢেৰ দিছে, বেচি নেলাগে',। তেনে সৰল মনৰ কথা মনত পৰিলে স্বাধীন অসমৰ চিৰকলীয়া স্বাধীনতা বজাই ৰখা বহল মনৰ অসমীয়া বীৰ জাতিলৈ মনত পৰে।

সম্পাদকীয়

আহোম ভাষা আৰু সংস্কৃতিৰ সম্বন্ধে আলোচনা কৰিবলৈ ইং ১৯৫৪ চনৰ জানুৱাৰী মাহৰ ২১ আৰু ২২ তাৰিখে শ্ৰীযুত বেদৱতী বুঢ়াগোহাঁই ডাঙৰীয়ানীৰ সভাপতিত্বত শিৱসাগৰ জিলাৰ খালৈঘুগুৰা মৌজাৰ পাটসাঁকোত দুদিনীয়াকৈ এখন সভা বহিছিল এই সভাতে অৱসৰপ্ৰাপ্ত বয়োবৃদ্ধ ই, এ, চি, শ্ৰীযুত উমানাথ গোহাঁই ডাঙ্গৰীয়াক সভাপতি পাতি ভাৰতৰ টাই বুৰঞ্জী আৰু সংস্কৃতি সঙ্ঘ প্ৰতিস্থা কৰিবলৈ এখন বৰ্ড গঠন কৰা হয় আৰু সঙ্ঘৰ লক্ষ্য, উদ্দেশ্য, কাৰ্য্যকৰী পন্থাৰ আচনি আৰু নিয়মাৱলীৰ খচৰা তৈয়াৰ কৰিবলৈ উক্ত বৰ্ডক ভাৰ দিয়া হয়।

১৯৫৫ চনৰ জুন মাহৰ ১৮ আৰু ১৯ তাৰিখে শিৱসাগৰৰ টাউন হাই স্কুলত দুদিনীয়াকৈ বৰ্ডৰ বৈঠক বহে। এই সভাত প্ৰথম দিনা শ্ৰীযুত ডম্বৰু ধৰ বৰগোহাঁই আৰু দ্বিতীয় দিনা ৰাজ-কুমাৰ সৰ্ব্বনন্দ ডাঙৰীয়াই সভাপতিত্ব কৰে। এই সভাতে সঙ্ঘৰ কাৰ্য্যকৰী পন্থাৰ আচনি আৰু নিয়মাৱলী গ্ৰহণ কৰা হয় আৰু সঙ্ঘৰ নাম সদৌ অসম টাই বুৰঞ্জী আৰু সংস্কৃতি সঙ্ঘ The Tai Historical & Cultural Society of Assam কৰা হয়। এই সঙ্ঘ ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নথকা, একচেতীয়া সাংস্কৃতিক অনুষ্ঠান। এই সঙ্ঘৰ মুখ্য উদ্দেশ্য হৈছে টাই জাতি আৰু টাই জাতিৰ লগত যেই কোনো সম্বন্ধ থকা অসমৰ জাতি-উপজাতি-সকলৰ বুৰঞ্জী, সাহিত্য, দৰ্শন, বিজ্ঞান, কলা, স্থাপত্য, ভস্কৰ্য্য

আৰু সামাজিক আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি পূজা-পদ্ধতি, আদি কৰি জাতীয় জীৱনৰ সকলো দিশ গৱেষণামূলক ভাৱে চৰ্চ্চা কৰি পোহৰলৈ অনা আৰু পুৰণি কীৰ্ত্তিচিন আৰু অন্যান্য সম্পদ ৰাজি পাৰ্য্যমানে উদ্ধাৰ কৰি সংৰক্ষণ কৰিবলৈ ব্যৱস্থা কৰা।

নানান আনুসঙ্গিক অসুবিধাৰ মাজেদি কাম কৰিব লগা হলেও যোৱা নৱেম্বৰ মাহত ডিব্ৰুগড়ৰ, চিৰিং চাপৰিত আৰু জানুৱাৰী মাহত শিৱসাৰত যথাক্ৰমে বৰ্ডৰ সভা সমাৰোহেৰে পতা হৈছে। ইতিমধ্যে গুৱাহাটী, ডিব্ৰুগড়, শিৱসাগৰ আৰু তেজপুৰৰ চতিয়াত সঙ্ঘৰ শাখা স্থাপন কৰা হৈছে আৰু যোৰহাট, গোলাঘাট, শ্বিলং আদি ঠাইত শাখা স্থাপন কৰিবলৈ আয়োজন কৰা হৈছে। ইয়াৰ উপৰিও সঙ্ঘৰ তৰফৰপৰা তলত চমুকৈ উল্লেখ কৰা কামবোৰ তৎপৰতাৰে সৈতে কৰিবলৈ আগবঢ়া হৈছে আৰু কৰা হৈছে।

১। সঙ্ঘ ৰেজিষ্টাৰ কৰিবলৈ চৰকাৰৰ লগত লিখালিখি কৰা।

২ পুৰণি অসমৰ গৌৰবময় যুগৰ কীৰ্ত্তিচিনৰ ভগ্নাৱশেষ ৰাজকাৰেং, দৌল-দেৱালয়বিলাক কেন্দ্ৰীয় সংৰক্ষণ আইনৰ দ্বাৰা (Ancient Monuments Preservation Act, 1904). সংৰক্ষিত হৈছে যদিও সেই কীৰ্ত্তিচিনবিলাকৰ দিনকদিনে অৱনতি হৈছে। এই সঙ্ঘই কেন্দ্ৰীয় চৰকাৰৰ পুৰাতত্ত্ব বিভাগৰ কৰ্ত্তৃপক্ষক অধিক অৰ্থব্যয় কৰি সুসংৰক্ষণ কৰিবৰ বাবে টানি অনুৰোধ জনোৱাত বিভাগীয় কৰ্ত্তৃপক্ষই শীঘ্ৰে ব্যৱস্থা লোৱা হব বুলি আশ্বাস দিছে।

তদুপৰি সংৰক্ষণ আইনৰ বাহিৰত থকা অন্যান্য কীৰ্ত্তিচিন, দৌল-দেৱালয়, গড, পুখুৰী, শিলাসাঁকো, লোৰ দুৱাৰ আদি সেই যুগৰ বৈজ্ঞানিক আৰু ঐতিহাসিক তথ্যপূৰ্ণ অৱশিষ্ট ভগ্নাৱশেষ-বিলাকো যাতে সংৰক্ষণ আইনৰ অধীনলৈ আনি ৰক্ষা কৰা হয় সেই বাবেও চৰকাৰক অনুৰোধ কৰা হৈছে আৰু ৰাজ্যিক চৰকাৰৰ পৰাও এই কীৰ্ত্তিচিনবিলাক সংৰক্ষণৰ বিবেচনাধীন বুলি সঙ্কেত পোৱা হৈছে।

৩। আহোম যুগৰ পুৰণি পুখুৰী কিছুমান ৰাজ্যিক চৰকাৰে মাছৰ মহল কৰা বাবে এই সংঙ্ঘই ঘোৰ প্ৰতিবাদ কৰি পুখুৰীবোৰ সংৰক্ষণ কৰিবলৈ দাবী জনোৱাত ৰাজ্যিক চৰকাৰৰ পৰাও মাছৰ মহল বন্ধ কৰা বুলি আশ্বাস পোৱা গৈছে।

৪। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে সংৰক্ষণ কৰা আহোম ভাষাৰ পুৰণি পুথি-পাজি ৰাজি আৰু অন্যান্য নথি-পত্ৰবোৰ গৱেষণামূলক ভাবে চৰ্চ্চা কৰি প্ৰকাশ কৰা কাৰ্য্যৰ দায়িত্ব বহন কৰিবলৈ এজন উপযুক্ত আহোম লোকক উক্ত বিভাগৰ "ডেপুটী ডিৰেক্টৰ" হিচাবে নিয়োগ কৰিবলৈ সঙ্ঘৰ তৰফৰপৰা চৰকাৰক অনুৰোধ কৰা হৈছে।

তাৰোপৰি ভবিষ্যতে আহোম বুৰঞ্জী আৰু কৃষ্টিৰ সম্বন্ধে গবেষণা কৰিবলৈ উপযুক্ত মেধাৱী টাই ছাত্ৰক টাই আৰু অন্য প্ৰাচ্য ভাষা অধ্যয়ন কৰিবৰ কাৰণে বৃত্তি দিবলৈ সঙ্ঘই চৰকাৰক অনুৰোধ জনাইছে।

আহোম যুগৰ পুৰণি স্মৃতিৰ সম্পদৰাজি সংগ্ৰহ কৰি সংৰক্ষণ কৰিবলৈ শিৱসাগৰত এটা যাদুঘৰ আৰু তাৰ লগতে এখন ওখ ধৰণৰ পুথি ভঁৰাল প্ৰতিস্থা কৰিবলৈ যো-জা কৰা হৈছে।

সঙ্ঘৰ তৰফৰপৰা এখন তিনিমহীয়া গবেষণামূলক আলোচনী অসমীয়াতে প্ৰকাশ কৰি তাৰে বছা বছা প্ৰবন্ধ ইংৰাজীলৈ অনু-বাদ কৰি বছেৰেকীয়া বিশেষ সংখ্যা ওলিয়াবলৈ কেইবা মাহৰো আগতে এখন সম্পাদকীয় বৰ্ড গঠন কৰা হৈছে। নানান অসুবিধা, বিশেষকৈ গবেষণামূলক প্ৰবন্ধৰ অভাৱতে আলোচনী প্ৰকাশ কৰা কিছু পলম হৈ গৈছে।

আমাৰ আলোচনীৰ ওপৰতে সঙ্ঘৰ বহুত কথাই নিৰ্ভৰ কৰিছে। সেই কাৰণে সদাশয় লিখক লিখিকাসকলক প্ৰবন্ধ-পাতি দি সহায় কৰিবলৈ সম্পাদকীয় বৰ্ডৰ তৰফৰ হৈ অনুৰোধ জনালো।

টাই সংস্কৃতিৰ নিয়মাৱলী

১। টাই জাতি আৰু টাই জাতিৰ লগত সম্বন্ধ থকা জাতি-উপজাতিবিলাকৰ বুৰঞ্জী, সাহিত্য, কলা, দৰ্শন, বিজ্ঞান, শিল্প, স্থাপত্য, ভাস্কৰ্য্য, ধৰ্ম্ম-অৰ্থ-সমাজ আৰু বৈদেশিক নীতি, বেহা-বেপাৰ আদিৰ গৱেষণামূলক মৌলিক প্ৰবন্ধ এই আলোচনীত প্ৰকাশ কৰা হব।

২। প্ৰবন্ধৰ লগত, নাইবা বেলেগে, পুৰণি কীৰ্ত্তিচিনৰ ফ'ট', নাইবা সুস্পষ্ট অঙ্কিত চিত্ৰ আৰু পুৰণি অসমৰ কলা-কৃষ্টিৰ নিদৰ্শন স্বৰূপ সাজ-পাৰ, আ-অলঙ্কাৰ আদিৰ 'ফ'ট' আদিও ব্লক কৰি ইয়াত প্ৰকাশ কৰা হব।

৩। পুৰণি সাঁচিপতীয়া পুথিও খণ্ড খণ্ডকৈ ইয়াত প্ৰকাশ কৰাৰ ব্যৱস্থা আছে।

৪। বুৰঞ্জীমূলক কবিতা, আখ্যান, লোক-গীতি আদিও উপযোগী চাই ইয়াত প্ৰকাশ কৰিবৰ বাবে ঠাই ৰখা হব।

৫। পুৰণি দ'ল-দেৱালয়, কাৰেং আদিৰ তামৰ ফলি, প্ৰস্তৰ লিপি বা অন্যান্য লিপিও ইয়াত হুবহু প্ৰকাশিত হব। তেনে ভগ্নাৱশেষ কীৰ্ত্তিচিনবিলাকো ইয়াত ব্লক কৰি প্ৰকাশ কৰা হব।

৬। পুৰণি মৈদামৰ বুৰঞ্জী, ছবি, মেপ, অৱস্থিতি আৰু মৈদামৰ লগত জড়িত থকা গল্প বা আখ্যান আদিও ইয়াত প্ৰকাশ কৰা হব।

৭। টাই জাতিৰ বিভিন্ন শাখাৰ আৰু অসমৰ জাতি-উপজাতিবিলাকৰ সামাজিক আচাৰ ব্যৱহাৰ, ৰীতি-নীতি আৰু তেওঁলোকৰ নৃতাত্ত্বিকবিষয়ক বিৱৰণ আদিৰ গৱেষণামূলক প্ৰবন্ধইও ইয়াত ঠাই পাব।

৮। টাই জাতি আৰু টাই জাতিৰ লগত সম্পৰ্ক থকা দক্ষিণ-পূব এচিয়াৰ আদিম জাতি-উপজাতিবিলাকে পূজা-অৰ্চ্চনা কৰা দেৱ দেৱীবিলাকৰ বিৱৰণ, পূজা-পদ্ধতি, আধ্যাত্মিক মৰ্ম্ম আৰু সেই সম্পৰ্কীয় পূজাৰ সা-সজুলি, দ্ৰব্য-সম্ভাৰ আদিৰে সৈতে সম্পূৰ্ণ বিৱৰণ দিয়া মৌলিক প্ৰবন্ধ ইয়াত প্ৰকাশৰ বাবে গ্ৰহণ কৰা হব।

৯। টাই জাতিৰ বিভিন্ন শাখাৰ বিস্তৃতিৰ লগত ঐতিহাসিক সম্বন্ধ থকা দেশ আৰু ঠাইবোৰৰ ভৌগোলিক বিৱৰণ আদিও প্ৰকাশৰ বাবে গ্ৰহণ কৰা হব।

১০। টাই জাতি আৰু টাই জাতিৰ লগত বিশেষ সম্পৰ্ক থকা জাতিবিলাকৰ তথ্যপূৰ্ণ পুৰণি স্মৃতিচিহ্নবিলাকৰ লগত জড়িত মুখে মুখে চলি অহা প্ৰকাশযোগ্য ইতিবৃত্তিবিলাকেও এই আলোচনীত ঠাই পাব।

১১। প্ৰবন্ধবিলাক কাগজৰ এপিঠিত পৰিষ্কাৰকৈ লিখি তাৰ আৱশ্যকীয় নকল ৰাখি লিখকসকলে এই আলোচনীৰ সাধাৰণ সম্পাদকলৈ পঠাব। অমনোনীত প্ৰবন্ধবিলাক আৱশ্যক মতে সম্পাদকীয় বৰ্ডে ঘূৰাই পঠাবও পাৰে।

১২। প্ৰবন্ধত অন্য লিখকৰ কথা উল্লেখ কৰিলে যতদূৰ সম্ভৱ উল্লেখ কৰা পুথি, পৃষ্ঠা, লিখকৰ নাম আদি লগে লগে দি যাব, আৰু পুৰণি সাঁচিপতীয়া পুথি নাইবা অন্য লিপি উল্লেখ কৰিলে তাৰ চমু বিৱৰণ দিব। তদুপৰি লিখকে নিজৰ টীকা-টিপ্পনী দিব পাৰিব।

শ্ৰীদৌলেশ্বৰ কোঁৱৰ,
সাধাৰণ—সম্পাদক, সম্পাদকীয় বৰ্ড।

সদৌ অসম টাই বুৰঞ্জী আৰু সংস্কৃতি সঙ্ঘৰ
বুৰঞ্জী আৰু সংস্কৃতি ব'ৰ্ড

(বা কাৰ্য্য নিৰ্ব্বাহক সমিতি)

	নাম	ঠিকনা	বিষয়
১ ।	শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ, বি-এ, ই-এ-চি,	ডিব্ৰুগড় খলিহামাৰি, পোঃ আঃ ডিব্ৰুগড়	সভাপতি
২ ।	" অলোকচন্দ্ৰ ৰাজখোৱা, বি-এল, এড্ভকেট	ডিব্ৰুগড় টাউন, পোঃ আঃ ডিব্ৰুগড়	সহকাৰী সভাপতি
৩ ।	" ডম্বৰুধৰ বৰগোহাঁই,	জোকতলি বাগান,	সহকাৰী সভাপতি
৪ ।	" পদ্মেশ্বৰ গগৈ, এম-এ	অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়	সাধাৰণ সম্পাদক
৫ ।	" লীলা গগৈ	চেৰেকাপাৰ, পোঃ আঃ শিৱসাগৰ	যুটীয়া আৰু অফিচ সম্পাদক
৬ ।	" নিত্যানন্দ গগৈ, এম-এ	পোঃ আঃ শিৱসাগৰ শিৱসাগৰ টাউন,	সহকাৰী সম্পাদক
৭ ।	" হেমচন্দ্ৰ গোহাঁই, বি-এল	ডিব্ৰুগড় টাউন, পোঃ আঃ ডিব্ৰুগড়	ধন-ভৰাঁলী
৮ ।	" ৰামেশ্বৰ বৰা বি-এল, এড্ভকেট	যোৰহাট পোঃ আঃ যোৰহাট	সদস্য
৯ ।	" ঠানুৰাম গগৈ, এম-এল-এ	শিৱসাগৰ টাউন, পোঃ আঃ শিৱসাগৰ	"

	নাম	ঠিকনা	বিষয়
১০।	শ্ৰীপূৰ্ণকান্ত বুঢ়াগোহাঁই	ধেমেচি, পোঃ আঃ সেনচোৱা-পুখুৰী, ডিব্ৰুগড়	সদস্য
১১।	" হৰেন্দ্ৰনাথ ফুকন, বি-এ	হেড্‌মাষ্টৰ, পাটসাকু হাইস্কুল, পোঃ আঃ পাটসাকু, শিৱসাগৰ	"
১২।	" নন্দেশ্বৰ বৰুৱা	দিছাংপানী এম·ই স্কুল, পোঃ আঃ দিছাংপানী, শিৱসাগৰ	"
১৩।	,, অম্বেশ্বৰ চেতিয়াফুকন	নাফুক বাগান, পোঃ আঃ চৰাই, শিৱসাগৰ	,,
১৪।	,, খগেন্দ্ৰনাথ শইকিয়া, এম-এ (কম), এল-এল-বি, এড্‌ভকেট	অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়, পোঃ আঃ গুৱাহাটী	,,
১৫।	,, বেনুধৰ মোহন	হেড্‌মাষ্টৰ, শিমলুগুৰি হাইস্কুল, পোঃ আঃ শিমলুগুৰি, শিৱসাগৰ	,,
১৬।	,, যজ্ঞনাথ ফুকন	পোঃ আঃ শিৱসাগৰ	,,
১৭।	,, গোপালচন্দ্ৰ ফুকন	অৱসৰপ্ৰাপ্ত পুলিচ কমিছনাৰ, চেনিকুঠি, গুৱাহাটী টাউন আৰু পোঃ আঃ	,,
১৮।	,, দোলেশ্বৰ কোঁৱৰ, এম-এ, বি-টি	অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়, পোঃ আঃ গুৱাহাটী	
১৯।	,, প্ৰিয়ধৰ বৰবৰা, বি-এ	শিৱসাগৰ টাউন আৰু পোঃ আঃ	,,
২০।	,, কমল চন্দ্ৰ চাংমাই	চিৰিংচাপৰি, পোঃ আঃ ৰিহাবাৰী, ডিব্ৰুগড়	,,
২১।	,, পদ্মনাথ গোহাঁই	চিৰিংচাপৰি, পোঃ আঃ ৰিহাবাৰী, ডিব্ৰুগড়	,,

নাম	ঠিকনা	বিষয়
২২। শ্ৰীদুৰ্গানাথ গগৈ	চেৰেকাপাৰ, পোঃ আঃ শিৱসাগৰ	সদস্য
২৩। ,, প্ৰফুল্ল কুমাৰ ফুকন	মেনেজাৰ, খাগৰিজান বাগান, পোঃ আঃ ম'হখুটি, ডিব্ৰুগড়	,,
২৪। ,, ডম্বৰুধৰ ফুকন	আহোম পণ্ডিত; পাটসাকু পোঃ আঃ শিৱসাগৰ, বৰ্ত্তমান-বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী	,,
২৫। ,, লক্ষেশ্বৰ বুঢ়াগোহাঁই	শিক্ষক, বেতবাৰী হাইস্কুল, পোঃ আঃ বেতবাৰী, শিৱসাগৰ	,,
২৬। ,, ভুবন চন্দ্ৰ সন্দিকৈ, বি-এ	পোঃ আঃ জয়সাগৰ, শিৱসাগৰ	,,
২৭। ,, চাওকেন গোহাঁই	মৌজাদাৰ, মাৰ্ঘেৰিতা, পোঃ আঃ মাৰ্ঘেৰিতা	,,
২৮। ,, কেশৱ চন্দ্ৰ গগৈ, বি-এল	খলিহামাৰী পোঃ আঃ ডিব্ৰুগড়	,,
২৯। ,, মদন চন্দ্ৰ বৰুৱা	শিক্ষক, খোৱাং, হাইস্কুল, পোঃ আঃ খোৱাং, ডিব্ৰুগড়	,,
৩০। ,, ৰাজকুমাৰ সুৰেশ্বৰ গোহাঁই, এম্-এচ্-চি	বেচিক এডুকেচন অফিচাৰ, ৰাজবাৰী, উজান বজাৰ, পোঃ আঃ গুৱাহাটী	,,
৩১। ,, চৌখামন গোহাঁই, এম্-পি	চৌখাম, পোঃ আঃ চুনপুৰা, নেফা	,,